# مكارم الأخلاق

# সৎ চৰিত্ৰ

## সৎ চৰিত্ৰ

মুহাম্মদ বিন চলেহ আল-উছাইমীন

এই পুস্তিকাখনত আল্লাহ আৰু মানুহৰ সৈতে আচাৰ-ব্যৱহাৰৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া উত্তম চৰিত্ৰৰ দিশসমূহ আলোচনা কৰা হৈছে, য'ত আল্লাহৰ বাণী আৰু তেওঁৰ বিধানসমূহ সন্তুষ্টিৰে গ্ৰহণ কৰা আৰু তেওঁৰ নিৰ্ধাৰিত ভাগ্যৰ ওপৰত ধৈৰ্য্য ধাৰণ কৰাৰ প্ৰয়োজনীয়তা স্পষ্ট কৰা হৈছে। ইয়াৰ লগতে পুস্তিকাখনত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৱিত্ৰ জীৱনীৰ উদাহৰণসমূহৰ সহায়ত আনৰ সৈতে আচাৰ-ব্যৱহাৰৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া সৎচৰিত্ৰৰ বিষয়সমূহ দাঙি ধৰা হৈছে, যেনে- কাকো কষ্ট নিদিয়া, দান কৰা আৰু হাঁহিমুখে সাক্ষাৎ কৰা।

## সৎ চৰিত্ৰ

ফজীলাতুশ্ব শ্বাইখ আল্লামা

মুহাম্মদ বিন চলেহ আল-উছাইমীন

মহান আল্লাহে তেখেতক, লগতে তেখেতৰ পিতৃ-মাতৃ আৰু সকলো মুছলমানকে ক্ষমা কৰক।

## আৰম্ভ কৰিছোঁ পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত

মহান আল্লাহে তেখেতক হিদায়ত আৰু সত্য দ্বীনৰ সৈতে প্ৰেৰণ কৰিছে, যাতে তেওঁ দ্বীনক সকলো ধৰ্মৰ ওপৰত জয়যুক্ত কৰিব পাৰে। মহান আল্লাহে তেখেতক কিয়ামতৰ পূৰ্বে সুসংবাদদাতা আৰু সতৰ্ককাৰী হিচাপে,

লগতে মহান আল্লাহৰ নিৰ্দেশমৰ্মে আল্লাহৰ পিনে আহ্বানকাৰী আৰু উজ্জ্বল প্ৰদীপ হিচাপে প্ৰেৰণ কৰিছে। তেখেতে ৰিছালতৰ দায়িত্ব পৌঁছাই দিছে, আমানত আদায় কৰিছে, উম্মতক সদোপদেশ দিছে আৰু মৃত্যু পৰ্যন্ত আল্লাহৰ পথত যথাযথভাৱে সংগ্ৰাম কৰিছে। আল্লাহে তেওঁৰ বান্দাহসকলৰ মাজৰ পৰা যাক ইচ্ছা কৰিছে তাওফীক দান কৰিছে, ফলত তেওঁলোকে তেখেতৰ আহ্বানত সঁহাৰি দিছে আৰু তেখেতৰ আদৰ্শৰে হিদায়ত লাভ কৰিছে। আনহাতে আল্লাহে নিজৰ হিকমত অনুযায়ী তেওঁৰ বান্দাসকলৰ মাজৰ পৰা যাক ইচ্ছা কৰিছে বঞ্চিত কৰিছে, ফলত সিহঁতে তেখেতৰ আনুগত্য প্ৰকাশত অহংকাৰ কৰিছে, তেখেতৰ বাৰ্তাক অস্বীকাৰ কৰিছে আৰু তেখেতৰ নিৰ্দেশৰ বিৰোধিতা কৰিছে, যাৰ ফলস্বৰূপে সিহঁতে ক্ষতিগ্ৰস্ততা আৰু চৰম পথভ্ৰষ্টতাত পতিত হৈছে। নিশ্চয় সকলো ধৰণৰ প্ৰশংসা কেৱল আল্লাহৰ বাবে; আমি তেওঁৰেই প্ৰশংসা কৰোঁ, তেওঁৰ ওচৰতেই সহায় আৰু ক্ষমা প্ৰাৰ্থনা কৰোঁ, আৰু তেওঁৰ ওচৰতেই তাওবা কৰোঁ; আৰু আমি আমাৰ নফছৰ সকলো প্ৰকাৰ কুমন্ত্ৰণা আৰু আমাৰ সকলো প্ৰকাৰ বেয়া আমলৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰোঁ। আল্লাহে যাক হিদায়ত দিয়ে, তাক কোনেও পথভ্ৰষ্ট কৰিব নোৱাৰে, আৰু তেওঁ যাক পথভ্ৰষ্ট কৰে, তাক কোনেও হিদায়ত দিব নোৱাৰে। মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই।

মই আৰু সাক্ষ্য দিওঁ যে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে তেওঁৰ বান্দা আৰু ৰাছুল।

ইয়াৰ পিছত কথা হ'ল যে: এই বৈঠকত চৰিত্ৰৰ মহত্ত্ব (সেজ চৰিত্ৰ) সম্পৰ্কে কথা পাতিবলৈ পাই মই যথেষ্ট আনন্দ অনুভৱ কৰিছোঁ।[1]

আৰু বিশেষজ্ঞ লোকসকলে কোৱা মতে চৰিত্ৰ হৈছে মানুহৰ আভ্যন্তৰীণ ৰূপ; কাৰণ স্বাভাৱিকতে মানুহৰ দুটা ৰূপ থাকে:

বাহ্যিক ৰূপ: এইটো হৈছে সংৰচনাৰ সেই আকৃতি, যিটো ৰূপত আল্লাহে শৰীৰক বনাইছে, আৰু আমি সকলোৱে জানো যে, এই বাহ্যিক ৰূপৰ কিছুমান হৈছে সুন্দৰ আৰু উত্তম, আৰু আন কিছুমান হৈছে কুৎসিত আৰু বেয়া, আৰু আন কিছুমান হৈছে ইয়াৰ মধ্যৱৰ্তী।

একেদৰে আভ্যন্তৰীণ ৰূপটোও সৎ আৰু অসৎ ৰূপত বিভক্ত, আৰু ইয়াকেই চৰিত্ৰ বুলি বুজোৱা হয়। গতিকে চৰিত্ৰ হৈছে মানুহৰ সেই আভ্যন্তৰীণ ৰূপ, যিটো মানুহৰ মাজত স্বভাৱগতভাৱে নিহিত থাকে।

এতিয়া হয় যে, চৰিত্ৰ জন্মগত নে অৰ্জিত?

উত্তৰ: নিঃসন্দেহে কিছুমান চৰিত্ৰ জন্মগত আৰু কিছুমান হৈছে অৰ্জিত। যিদৰে চৰিত্ৰ স্বভাৱজাত হ'ব পাৰে, ঠিক তেনেদৰে ই অৰ্জিতও হ'ব পাৰে। ইয়াৰ অৰ্থ হৈছে, যিদৰে এজন মানুহে জন্মগতভাৱে সুন্দৰ আৰু উত্তম চৰিত্ৰৰ অধিকাৰী হ'ব পাৰে, ঠিক তেনেদৰে তেওঁ প্ৰচেষ্টা আৰু অনুশীলনৰ জৰিয়তেও উত্তম চৰিত্ৰ

[1] এই বৈঠকটো উনাইঝাহ বিজ্ঞান প্ৰতিষ্ঠানৰ গ্ৰীষ্মকালীন কেন্দ্ৰত অনুষ্ঠিত হৈছিল।

অৰ্জন কৰিব পাৰে; আৰু সেইবাবেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আশ্বাজ্জ আব্দুল ক্বায়ছক কৈছিল:

«إِنَّ فِيكَ خَلَّتَيْنِ يُحِبُّهُمَا اللَّهُ: الْحِلْمَ وَالأَنَاةَ». قَالَ: يَا رَسُولَ اللَّهِ! أَنَا أَتَخَلَّقُ بِهِمَا، أَمِ اللَّهُ جَبَلَنِي عَلَيْهِمَا؟ قَالَ: «بَلِ اللَّهُ جَبَلَكَ عَلَيْهِمَا». قَالَ: الْحَمْدُ لِلَّهِ الَّذِي جَبَلَنِي عَلَى خَلَّتَيْنِ يُحِبُّهُمَا اللَّهُ وَرَسُولُهُ [2].

"তোমাৰ মাজত এনেকুৱা দুটা গুণ আছে, যি দুটা গুণক আল্লাহে অত্যন্ত ভালপায়, সেয়া হৈছেঃ সহনশীলতা আৰু স্থিৰতা।" তেওঁ ক'লেঃ হে আল্লাহৰ ৰাছুল! মই এই দুটা গুণ নিজে অৰ্জন কৰিছোঁ নে আল্লাহে মোক এই দুটা গুণৰ ওপৰতে সৃষ্টি কৰিছে? তেখেতে ক'লেঃ "বৰং আল্লাহে তোমাক এই দুটা গুণৰ ওপৰতে সৃষ্টি কৰিছে।" তেওঁ ক'লেঃ সকলো ধৰণৰ প্ৰশংসা আল্লাহৰ বাবে, যিজনে মোক এনেকুৱা দুটা গুণৰ ওপৰত সৃষ্টি কৰিছে, যি দুটা গুণক আল্লাহ আৰু তেওঁৰ ৰাছুলে ভালপায়।[1]

গতিকে ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, উত্তম আৰু প্ৰশংসনীয় চৰিত্ৰ স্বভাৱজাতো (জন্মগতও) হ'ব পাৰে, আৰু অৰ্জিতও হ'ব পাৰে। কিন্তু অৰ্জিত চৰিত্ৰতকৈ স্বভাৱজাত চৰিত্ৰ নিঃসন্দেহে অধিক উত্তম। কাৰণ চৰিত্ৰ যেতিয়া স্বাভাৱিক হয়, তেতিয়া সেয়া মানুহৰ সহজাত প্ৰবৃত্তি আৰু স্বভাৱত পৰিণত হয়, ফলত ইয়াক কাৰ্যত পৰিণত কৰিবলৈ কোনো কষ্ট বা কৃত্ৰিমতাৰ

---

1 আবু দাউদ: কিতাবুল আদাব, মানুহৰ গোত্ৰ সম্পৰ্কীয় অনুচ্ছেদ (হাদীছ নং ৫২২৫), ঝাৰে' ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ আব্দুল ক্বায়েছৰ প্ৰতিনিধি দলৰ অন্তৰ্ভুক্ত আছিল; আৰু তিৰমিজীয়ে আবৱাবুল বিৰ্ৰি অছ-ছিলাহ অধ্যায়ৰ ধৈৰ্য আৰু খৰখেদা সম্পৰ্কীয় অনুচ্ছেদৰ (হাদীছ নং ২০১১)ত উল্লেখ কৰিছে, হাদীছটো ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত।

প্ৰয়োজন নহয়। কিন্তু মনত ৰখা উচিত যে, এইটো হৈছে আল্লাহৰ অনুগ্ৰহ, তেওঁ যাক ইচ্ছা কৰে তাক প্ৰদান কৰে। আনহাতে যি ব্যক্তিয়ে ইয়াৰ পৰা বঞ্চিত হয়— অৰ্থাৎ যিজন ব্যক্তি স্বভাৱজাতভাৱে উত্তম চৰিত্ৰৰ পৰা বঞ্চিত— তেওঁ ইয়াক চেষ্টাৰ জৰিয়তে অৰ্জন কৰিব পাৰে। অৰ্থাৎ অনুশীলন আৰু চৰ্চাৰ জৰিয়তে, যিদৰে আমি পৰৱৰ্তী সময়ত— ইন শ্বা আল্লাহু তাআলা— এই বিষয়ে উল্লেখ কৰিম।

ইয়াত আৰু এটা বিষয় আছে, সেইটো হৈছে এই যে: এই দুজনৰ মাজত কোনজন উত্তম? এজনে স্বভাৱগতভাৱে উত্তম চৰিত্ৰৰ অধিকাৰী হৈছে, আৰু আনজনে উত্তম চৰিত্ৰ অৱলম্বন কৰিবলৈ নিজৰ নফছৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে, এতেকে তেওঁলোকৰ মাজত কাৰ মৰ্যাদা সৰ্বোচ্চ আৰু কাৰ প্ৰতিদান অধিক?

এই বিষয়টোৰ উত্তৰত আমি কওঁ যে: ইয়াত কোনো সন্দেহ নাই যে, যিজন ব্যক্তি জন্মগতভাৱে সৎচৰিত্ৰৰ অধিকাৰী, তেওঁ চৰিত্ৰ প্ৰদৰ্শনৰ ক্ষেত্ৰত অথবা তেওঁৰ মাজত সৎচৰিত্ৰ বিদ্যমান থকাৰ দিশৰ পৰা অধিক পৰিপূৰ্ণ। কিয়নো ইয়াৰ বাবে তেওঁক কোনো ধৰণৰ কষ্ট বা প্ৰয়াসৰ প্ৰয়োজন হোৱা নাই, আৰু কোনো পৰিস্থিতি বা স্থানতেই ই তেওঁৰ পৰা আঁতৰি নাযায়। যিহেতু সৎচৰিত্ৰ তেওঁৰ অন্তৰ্নিহিত স্বভাৱ আৰু প্ৰকৃতি, সেয়েহে আপুনি যিকোনো সময়তে তেওঁক সাক্ষাৎ নকৰক কিয়, তেওঁক সৎচৰিত্ৰৰ অধিকাৰী হিচাপেই পাব; যিকোনো স্থানতে তেওঁক সাক্ষাৎ নকৰক কিয়,

তেওঁক সৎচৰিত্ৰৰ অধিকাৰী হিচাপেই পাব; আৰু যিকোনো অৱস্থাতে তেওঁক সাক্ষাৎ নকৰক কিয়, তেওঁক সৎচৰিত্ৰৰ অধিকাৰী হিচাপেই পাব। সেয়েহে এই দিশৰ পৰা নিঃসন্দেহে তেওঁ অধিক পৰিপূৰ্ণ।

আনহাতে যি চৰিত্ৰ অভ্যাস, প্ৰচেষ্টা আৰু চৰ্চা বা অনুশীলনৰ জৰিয়তে গঢ়ি তোলা হয়, তাৰ বাবে মানুহে নিজৰ নফছৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ ফলত ছোৱাব তথা প্ৰতিদান লাভ কৰে। কিন্তু চৰিত্ৰৰ পূৰ্ণতাৰ দিশৰ পৰা এইটো প্ৰথম প্ৰকাৰতকৈ বহু পৰিমাণে অপূৰ্ণ।

কিন্তু যদি কাৰোবাক স্বাভাৱিক আৰু অৰ্জিত— দুয়োবিধ চৰিত্ৰই একেলগে প্ৰদান কৰা হয়, তেতিয়া সেয়া অধিক পৰিপূৰ্ণ হয়, আৰু এইটো হৈছে চাৰি প্ৰকাৰঃ

১- এনেকুৱা ব্যক্তি যাক উত্তম চৰিত্ৰৰ পৰা বঞ্চিত কৰা হৈছে।

২- এনেকুৱা ব্যক্তি যাক প্ৰকৃতিগতভাৱে ইয়াৰ ওপৰত সৃষ্টি কৰা হৈছে, কিন্তু তেওঁ নিজকে কেৱল প্ৰকৃতিগত স্বভাৱৰ ওপৰতেই সীমাবদ্ধ ৰাখিছে।

৩- আৰু তৃতীয় প্ৰকাৰ হৈছে সেই ব্যক্তি, যাৰ মাজত এইটো জন্মগতভাৱে বিদ্যমান আৰু তেওঁ নিজৰ প্ৰচেষ্টাৰ দ্বাৰা সেইটোক বৃদ্ধি কৰিছে।

৪- আৰু চতুৰ্থ প্ৰকাৰত আছে সেই ব্যক্তি, যিয়ে জন্মগতভাৱে লাভ কৰা নাই, বৰঞ্চ নিজৰ চেষ্টা তথা পৰিশ্ৰমৰ দ্বাৰা সেয়া অৰ্জন কৰিছে।

গতিকে মোঠ কথা হৈছে এই যে, উত্তম চৰিত্ৰৰ ক্ষেত্ৰত, যি ব্যক্তিয়ে স্বভাৱগতভাৱেই এই গুণ লাভ কৰিছে তেওঁ অধিক পৰিপূৰ্ণ। আনহাতে উত্তম চৰিত্ৰ অৰ্জন কৰিবলৈ যি কষ্ট আৰু ক্লেশ সহ্য কৰিব লাগে, সেই দিশৰ পৰা যি ব্যক্তিয়ে নিজৰ প্ৰচেষ্টাৰ জৰিয়তে ইয়াক অৰ্জন কৰে, তেওঁৰ বাবে আছে কঠোৰ সাধনাৰ সমান প্ৰতিদান।

ইয়াত এটা প্ৰশ্ন উত্থাপন হয় যে- এনেকুৱা কোনো উত্তম চৰিত্ৰ আছে নেকি যিটো পৱিত্ৰ কোৰআন আৰু ছুন্নাহত নাই, যদি আছে তেন্তে সেইবোৰ জনাৰ উপায় কি?

উত্তৰ- তেখেত আলাইহিচ্ছালাতু অচ্ছালামে কৈছেঃ

«إِنَّمَا بُعِثْتُ لِأُتَمِّمَ مَكَارِمَ الأَخْلَاقِ» [3]؛

“নিশ্চয় নৈতিকতাক তথা উত্তম চৰিত্ৰক পূৰ্ণতা প্ৰদান কৰিবলৈ মোক নবী হিচাপে প্ৰেৰণ কৰা হৈছে।”[1] ইয়াৰ কাৰণ হৈছে, আল্লাহে বান্দাসকলৰ বাবে নিৰ্ধাৰণ কৰা পূৰ্বৱৰ্তী সকলো চৰীয়তে উত্তম চৰিত্ৰৰ প্ৰতি উৎসাহিত কৰিছে। এই কাৰণেই উলামাসকলে উল্লেখ কৰিছে যে, উত্তম চৰিত্ৰ হৈছে সেইবোৰ, যিবোৰ অৰ্জন কৰাৰ নিৰ্দেশ দিবলৈ সকলো চৰীয়তে একমত পোষণ হৈছে। কিন্তু এই পূৰ্ণাঙ্গ চৰীয়তৰ জৰিয়তে নবী চাল্লাল্লাহু

[1] আহমদ (২/৩৮১) আৰু বায়হাকীয়ে 'ছুনানুল কুবৰা'ত উল্লেখ কৰিছে (১০/২৩৩), আৰু শব্দবোৰ তেওঁৰেই, হাদীছটো আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত।

আলাইহি অছাল্লামে উত্তম চৰিত্ৰ আৰু নৈতিকতাক পূৰ্ণতা প্ৰদান কৰিছে।

আৰু ইয়াৰ বাবে আমি কিচাচৰ বিষয়টোক উদাহৰণ হিচাপে দাঙি ধৰিব পাৰোঁ, অৰ্থাৎ: যদি কোনো ব্যক্তিয়ে আন কাৰোবাৰ ওপৰত অপৰাধ কৰে, তেন্তে তাৰ পৰা কিচাচ গ্ৰহণ কৰা হ'ব নে নহয়? উল্লেখ কৰা হৈছে যে, ইয়াহুদীসকলৰ বিধানত কিচাচ অপৰিহাৰ্য আৰু বাধ্যতামূলক, আৰু যাৰ ওপৰত অপৰাধ কৰা হৈছে তেওঁৰ বাবে ইয়াত কোনো বিকল্প নাই। আনহাতে নাচাৰাসকলৰ বিধানত ইয়াৰ বিপৰীত দেখিবলৈ পোৱা যায়, অৰ্থাৎ তেওঁলোকৰ মতে ক্ষমা কৰাটো বাধ্যতামূলক। কিন্তু আমাৰ বিধানটো উভয় দিশৰ পৰাই পৰিপূৰ্ণ ৰূপত আহিছে; ইয়াত কিচাচৰো বিধান আছে আৰু ক্ষমাৰো অৱকাশ আছে। কিয়নো অপৰাধীক তাৰ অপৰাধৰ শাস্তি প্ৰদান কৰাত আছে সুদৃঢ়তা আৰু অনিষ্টতাৰ পৰা বিৰত ৰখাৰ ব্যৱস্থা, আৰু তাক ক্ষমা কৰি দিয়াত আছে অনুগ্ৰহ, মহানুভৱতা লগতে যাক ক্ষমা কৰা হৈছে তাৰ প্ৰতি সদাচাৰণ কৰা। সেয়েহে আমাৰ বিধান- আলহামদুলিল্লাহ- পৰিপূৰ্ণ ৰূপত আহিছে, যিয়ে অধিকাৰপ্ৰাপ্ত ব্যক্তিক ক্ষমা আৰু কিচাচ গ্ৰহণ কৰাৰ মাজত স্বাধীনতা প্ৰদান কৰিছে; যাতে তেওঁ ক্ষমা কৰাৰ স্থানত ক্ষমা কৰিব পাৰে, আৰু কিচাচ গ্ৰহণ কৰাৰ স্থানত কিচাচ ল'ব পাৰে।

*

# উত্তম চৰিত্ৰৰ ক্ষেত্ৰসমূহ

নিশ্চয় বহুতো মানুহে এইটোৱেই ধাৰণা কৰে যে, সৎ চৰিত্ৰ কেৱল সৃষ্টিজীৱৰ লগত কৰা আচৰণৰ ক্ষেত্ৰতেই সীমাবদ্ধ, সৃষ্টিকৰ্তাৰ লগত কৰা আচৰণৰ ক্ষেত্ৰত নহয়। কিন্তু এই ধাৰণা সম্পূৰ্ণৰূপে ভুল। কাৰণ, সৎ চৰিত্ৰ যেনেকৈ সৃষ্টিজীৱৰ লগত কৰা আচৰণৰ ক্ষেত্ৰত প্ৰযোজ্য, ঠিক তেনেকৈ সৃষ্টিকৰ্তাৰ লগত কৰা আচৰণৰ ক্ষেত্ৰতো প্ৰযোজ্য।

গতিকে উত্তম চৰিত্ৰৰ বিষয়বস্তু হৈছে: মহান সৃষ্টিকৰ্তাৰ সৈতে কৰা আচৰণ, আৰু লগতে সৃষ্টিজীৱৰ সৈতে কৰা আচৰণ, আৰু এই বিষয়টোৰ প্ৰতি মনোযোগ দিয়া উচিত।

প্ৰথম: মহান স্ৰষ্টাৰ সৈতে কৰা আচৰণৰ ক্ষেত্ৰত উত্তম চৰিত্ৰ:

সৃষ্টিকৰ্তাৰ সৈতে কৰা আচৰণৰ ক্ষেত্ৰত উত্তম চৰিত্ৰই তিনিটা বিষয়ক সামৰি লয়:

১- মহান আল্লাহৰ সংবাদসমূহক সত্য বুলি বিশ্বাস কৰা।

২- তেওঁৰ বিধানসমূহ গ্ৰহণ কৰি কাৰ্যকৰী কৰা তথা বাস্তৱায়ন কৰা।

৩- তেওঁ নিৰ্ধাৰণ কৰা তাক্বদীৰক ধৈৰ্য্য আৰু সন্তুষ্টিৰে মানি লোৱা।

এই তিনিটা বিষয়ৰ ওপৰতেই আল্লাহৰ সৈতে উত্তম চৰিত্ৰৰ বিষয়টো নিৰ্ভৰ কৰে।

১- তেওঁৰ সংবাদসমূহক সত্য বুলি গ্ৰহণ কৰা, যাতে সৰ্বশক্তিমান আল্লাহৰ সংবাদক সত্য বুলি বিশ্বাস কৰাৰ ক্ষেত্ৰত মানুহৰ মনত কোনো সন্দেহ বা দ্বিধা নাথাকে; কাৰণ মহান আল্লাহৰ সংবাদ তেওঁৰ জ্ঞানৰ পৰা নিৰ্গত, আৰু তেৰেঁই হৈছে সৰ্বাধিক সত্যবাদী, যেনে- মহান আল্লাহে নিজৰ বিষয়ে কৈছেঃ

﴿...وَمَنۡ أَصۡدَقُ مِنَ ٱللَّهِ حَدِيثٗا﴾

"আৰু কথাত আল্লাহতকৈ অধিক সত্যবাদী আৰু কোন হ'ব পাৰে?" (ছুৰা আন-নিছাঃ ৮৭)

আৰু আল্লাহে প্ৰদান কৰা সংবাদসমূহ সত্যায়ন কৰাৰ অনিবাৰ্য দাবী হৈছে, মানুহে ইয়াৰ প্ৰতি পূৰ্ণ বিশ্বাস পোষণ কৰা, ইয়াৰ প্ৰতিৰক্ষা কৰা আৰু ইয়াৰ জৰিয়তে সংগ্ৰাম কৰা, যাতে মহান আল্লাহৰ আৰু তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ সংবাদৰ ক্ষেত্ৰত তেওঁৰ মনত কোনো সন্দেহ বা সংশয় প্ৰৱেশ নকৰে।

আৰু যেতিয়া কোনো বান্দাই এই চৰিত্ৰ অৱলম্বন কৰিব, তেতিয়া তেওঁৰ বাবে আল্লাহ আৰু তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ সংবাদসমূহৰ বিৰুদ্ধে বিমুখ হোৱা লোকসকলে উত্থাপন কৰা সকলোবোৰ ভ্ৰান্ত ধাৰণা তথা সন্দেহ-সংশয় খণ্ডন কৰাটো সম্ভৱ হ'ব; সিহঁত মুছলিমসকলৰ মাজৰ পৰাই হওক যেনে- যিসকলে আল্লাহৰ দ্বীনত এনেকুৱা বিষয় আৱিষ্কাৰ কৰিছে যিটো ইয়াৰ অন্তৰ্ভুক্ত নাছিল, অথবা আন

কোনো নাস্তিকেই হওক, যিসকলে মুছলিমসকলৰ অন্তৰত ভ্ৰান্ত ধাৰণা তথা সন্দেহ-সংশয়ৰ সৃষ্টি কৰে।

আমি ইয়াৰ এটা উদাহৰণ দাঙি ধৰিব বিচাৰিছোঁঃ আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা ছহীহ বুখাৰীত বৰ্ণিত হৈছে, য'ত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِذَا وَقَعَ الذُّبَابُ فِي شَرَابِ أَحَدِكُمْ فَلْيَغْمِسْهُ، ثُمَّ لِيَنْزِعْهُ؛ فَإِنَّ فِي إِحْدَى جَنَاحَيْهِ دَاءً، وَالأُخْرَى شِفَاءً» [4].

“তোমালোকৰ মাজৰ কাৰোবাৰ পানীয়ত যদি মাখি পৰে তেন্তে তাক ডুবাই দিবা, তাৰ পিছত তাক উলিয়াই পেলাবা; কাৰণ তাৰ এটা ডেউকাত ৰোগ থাকে, আৰু আনটোত আৰোগ্য থাকে।”[1]

এতেকে এইটো হৈছে এনেকুৱা এটা সংবাদ যিটো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দিছে, আৰু এইটো গায়েব সম্পৰ্কীয় বিষয়। তেখেতে কেতিয়াও নিজৰ প্ৰবৃত্তিৰ বশৱৰ্তী হৈ কোনো কথা নকয়, বৰং তেখেতে কেৱল সেইটোহে কয় যিটো মহান আল্লাহে তেখেতলৈ অহী কৰে। কাৰণ তেখেত হৈছে এজন মানৱ, আৰু মানুহৰ গায়েব সম্পৰ্কে একো জ্ঞান নাথাকে, বৰঞ্চ আল্লাহে তেখেতক কৈছে:

﴿قُل لَّآ أَقُولُ لَكُمۡ عِندِي خَزَآئِنُ ٱللَّهِ وَلَآ أَعۡلَمُ ٱلۡغَيۡبَ وَلَآ أَقُولُ لَكُمۡ إِنِّي مَلَكٌۖ إِنۡ أَتَّبِعُ إِلَّا مَا يُوحَىٰٓ إِلَيَّۚ...﴾

---

[1] বুখাৰীঃ কিতাবু বাদয়িল খাল্ক, পৰিচ্ছেদঃ তোমালোকৰ মাজৰ কাৰোবাৰ পানীয়ত যদি মাখি পৰে তেন্তে তাক ডুবাই দিবা, তাৰ পিছত তাক উলিয়াই পেলাবা; কাৰণ তাৰ এটা ডেউকাত ৰোগ থাকে, আৰু আনটোত আৰোগ্য থাকে।, হাদীছ নং ৩৩২০, হাদীছটো আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত।

“কোৱা, ‘মই তোমালোকক এইটো নকওঁ যে, মোৰ ওচৰত আল্লাহৰ ধন-ভাণ্ডাৰ আছে, আনহাতে মই গায়েবো নাজানো আৰু তোমালোকক এইটোও নকওঁ যে, মই হৈছোঁ এজন ফিৰিস্তা, বৰং মোৰ প্ৰতি যি অহীৰূপে প্ৰেৰণ কৰা হয়, মই কেৱল সেইটোকেই অনুসৰণ কৰোঁ’...” (ছুৰা আল-আনআমঃ ৫০)

এতেকে আমি এই সংবাদটোক উত্তম চৰিত্ৰৰে গ্ৰহণ কৰিব লাগিব, আৰু এই সংবাদটোৰ ক্ষেত্ৰত উত্তম চৰিত্ৰ হৈছে এই যে, আমি ইয়াক মানি ল'ব লাগিব আৰু দৃঢ় বিশ্বাস পোষণ কৰিব লাগিব যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই হাদীছটোত যি কৈছে সেয়া সত্য আৰু সঁচা, যদিও কোনো বিৰোধকাৰীয়ে ইয়াৰ বিৰোধিতা কৰে। লগতে আমি নিশ্চিতভাৱে জানিব লাগিব যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা যি ছহীহ বুলি প্ৰমাণিত হৈছে, তাৰ যিয়েই পৰিপন্থী হ'ব, সেয়া বাতিল; কাৰণ মহান আল্লাহে কৈছেঃ

﴿...فَمَاذَا بَعۡدَ ٱلۡحَقِّ إِلَّا ٱلضَّلَٰلُۖ فَأَنَّىٰ تُصۡرَفُونَ﴾

“সত্য ত্যাগ কৰাৰ পিছত বিভ্ৰান্তিৰ বাহিৰে আন কি থাকিব পাৰে? গতিকে (সত্যক এৰি) তোমালোকক কোন ফালে আঁতৰাই নিয়া হৈছে?” (ছুৰা ইউনুছঃ ৩২)

আন এটা উদাহৰণ হৈছে: কিয়ামত দিৱসৰ সংবাদসমূহৰ পৰা:

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে,

«أَنَّ الشَّمْسَ تَدْنُو مِنَ الخَلَائِقِ يَوْمَ القِيَامَةِ بِقَدْرِ مِيلٍ» [5]،

"কিয়ামতৰ দিনা সূৰ্য্যক সৃষ্টিৰ একেবাৰে নিকটৱৰ্ত্তী কৰা হ'ব। ইমান নিকটৱৰ্ত্তী কৰা হ'ব যে, কেৱল এক মাইল দূৰত্ব থাকিব।"[1] এতেকে এইটো চকুত কাজল ব্যৱহাৰ কৰিবলৈ ব্যৱহাৰ কৰা মীল হওক বা ভূমিৰ দূৰত্ব মাইল হওক, মুঠতে সূৰ্য্য আৰু সৃষ্টিৰ মূৰৰ মাজৰ এই দূৰত্ব একেবাৰেই কম হ'ব। ইয়াৰ পিছতো মানুহ ইয়াৰ তাপত পুৰি নাযাব, অথচ বৰ্তমান পৃথিৱীত যদি সূৰ্য্য এক আঙুল পৰিমাণো নিকটৱৰ্ত্তী হয়, তেন্তে পৃথিৱীখন পুৰি যাব।

কোনোবাই ক'ব পাৰে যে, কিয়ামতৰ দিনা সূৰ্য্য সৃষ্টিৰ মূৰৰ পৰা ইমান কম দূৰত্বত একেবাৰে নিকটৱৰ্ত্তী হোৱাৰ পিছতো মানুহে কেনেকৈ এক মুহূৰ্তৰ বাবে বাচি থাকিব পাৰিব?!

এতেকে এই হাদীছটোৰ ক্ষেত্ৰত উত্তম চৰিত্ৰ কি?

এই হাদীছটোৰ প্ৰতি উত্তম চৰিত্ৰ হৈছে এই যে, ইয়াক আমি গ্ৰহণ কৰিব লাগিব আৰু ইয়াক সত্য বুলি বিশ্বাস কৰিব লাগিব, আমাৰ অন্তৰত যাতে ইয়াৰ প্ৰতি কোনো ধৰণৰ কুণ্ঠাবোধ, কোনো সংকোচ আৰু কোনো দ্বিধাবোধ নাথাকে, আৰু আমি এই কথা মনত ৰাখিব লাগিব যে, এই বিষয়ত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যি কৈছে সেয়াই সত্য।

আখিৰাতৰ অৱস্থাক পৃথিৱীৰ অৱস্থাৰ সৈতে তুলনা কৰাটো কেতিয়াও সম্ভৱ নহয়; কাৰণ ইয়াৰ মাজত

---

[1] ছহীহ মুছলিম: কিতাবুল জান্নাহ, কিয়ামত দিৱসৰ বৰ্ণনা অধ্যায় (হাদীছ নং ২৮৬৪), হাদীছটো মিক্বদাদ ইবনুল আছৱাদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

আছে এটা বিশাল পাৰ্থক্য। আমি জানো যে, কিয়ামতৰ দিনা মানুহে পঞ্চাশ হাজাৰ বছৰ থিয় হৈ থাকিব লাগিব। গতিকে পৃথিৱীৰ মাপকাঠিত কোনো মানুহৰ বাবে পঞ্চাশ হাজাৰ বছৰ থিয় হৈ থকাটো সম্ভৱ নে?

উত্তৰঃ নহয়, এতেকে পাৰ্থক্য বহুত ডাঙৰ। গতিকে যদি সেয়াই হয়, তেন্তে নিশ্চয় মুমিন ব্যক্তিয়ে এনেকুৱা সংবাদ অন্তৰৰ প্ৰশস্ততা আৰু সন্তুষ্টিৰে গ্ৰহণ কৰে, আৰু ইয়াৰ ফলত তেওঁৰ বোধশক্তি প্ৰসাৰিত হয় আৰু অন্তৰ প্ৰশস্ত হয়।

২- আল্লাহৰ আদেশসমূহ মানি লোৱা আৰু সেইবোৰ কাৰ্যকৰী তথা বাস্তৱায়ন কৰা: সেয়েহে আল্লাহৰ আদেশসমূহৰ কোনো এটাও প্ৰত্যাখ্যান কৰিব নালাগে। যদি কোনোবাই আল্লাহৰ আদেশসমূহৰ কোনো এটা আদেশকো প্ৰত্যাখ্যান কৰে, তেন্তে সেইটো হৈছে মহান আল্লাহৰ সৈতে কৰা বেয়া আচৰণৰ অন্তৰ্ভুক্ত। সেয়া তেওঁ বিধানক অস্বীকাৰ কৰি প্ৰত্যাখ্যান কৰক, বা অহংকাৰবশতঃ তাৰ ওপৰত আমল কৰাৰ পৰা বিৰত থাকি প্ৰত্যাখ্যান কৰক, অথবা অৱহেলা কৰি তাৰ ওপৰত আমল নকৰি প্ৰত্যাখ্যান কৰক; কিয়নো এনেকুৱা আচৰণ হৈছে মহান আল্লাহৰ প্ৰতি অৱলম্বন কৰিবলগীয়া উত্তম চৰিত্ৰৰ পৰিপন্থী।

ইয়াৰ বাবে আমি এটা উদাহৰণ দাঙি ধৰিছোঁ: ৰমজান মাহত আমি যিবোৰ কষ্টকৰ সৎ আমল পালন কৰোঁ, তাৰ ভিতৰত ৰোজা হৈছে নিঃসন্দেহে মনৰ বাবে অত্যন্ত কষ্টকৰ; কাৰণ ৰোজা অৱস্থাত মানুহে নিজৰ

অভ্যাসগত পানাহাৰ আৰু যৌনাচাৰ ত্যাগ কৰে, আৰু এইটো মানুহৰ বাবে এটা কষ্টকৰ বিষয়। কিন্তু মহান আল্লাহৰ প্ৰতি অৱলম্বন কৰা উত্তম চৰিত্ৰৱান মুমিন ব্যক্তিয়ে এই দায়িত্ব সাদৰে গ্ৰহণ কৰে, অথবা অধিক শুদ্ধ ভাষাত ক'বলৈ গ'লে: তেওঁ ইয়াক মৰ্যাদা হিচাপে আকোঁৱালি লয়। এইটো হৈছে মহান আল্লাহৰ ফালৰ পৰা এটা নিয়ামত, যিটোক তেওঁ প্ৰফুল্ল মনে তথা প্ৰশান্তিৰে গ্ৰহণ কৰে আৰু ইয়াৰ বাবে তেওঁৰ অন্তৰ প্ৰশস্ত হৈ পৰে। সেয়ে আপুনি মুমিনসকলক দেখিবলৈ পাব যে, তেওঁলোকে গ্ৰীষ্মৰ দীঘলীয়া প্ৰচণ্ড গৰম দিনবোৰতো ৰোজা পালন কৰে, আৰু মুমিন ব্যক্তিয়ে এই ক্ষেত্ৰত সন্তুষ্টচিত্তে তথা প্ৰফুল্লিত অন্তৰেৰে এইটো পালন কৰে; কাৰণ তেওঁ নিজ প্ৰতিপালকৰ সৈতে উত্তম চৰিত্ৰ অৱলম্বন কৰে। আনহাতে মহান আল্লাহৰ প্ৰতি কু-চৰিত্ৰৱান ব্যক্তিয়ে এনেকুৱা ইবাদতক বিৰক্তি আৰু অপছন্দৰে গ্ৰহণ কৰে। এনেকুৱা ব্যক্তিয়ে যদি অশুভ পৰিণামৰ ভয় নকৰিলেহেঁতেন, তেন্তে তেওঁ কেতিয়াও ৰোজা পালন নকৰিলেহেঁতেন।

আন এটা উদাহৰণ হৈছেঃ চালাত, নিঃসন্দেহে এইটো কিছুমান মানুহৰ বাবে অত্যন্ত কঠিন, আনকি এইটো মুনাফিকসকলৰ বাবে বেছি কঠিন, যিদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«أَثْقَلُ الصَّلَاةِ عَلَى الْمُنَافِقِينَ: صَلَاةُ العِشَاءِ وَصَلَاةُ الفَجْرِ» [6].

“মুনাফিকসকলৰ ওপৰত আটাইতকৈ কঠিন চালাত হৈছে, ঈশ্বা আৰু ফজৰৰ চালাত।”[1]

কিন্তু মুমিনৰ বাবে চালাত আদায় কৰাটো কেতিয়াও ভাৰি বোজা নহয়, যেনে- মহান আল্লাহে কৈছেঃ

﴿وَٱسۡتَعِينُواْ بِٱلصَّبۡرِ وَٱلصَّلَوٰةِۚ وَإِنَّهَا لَكَبِيرَةٌ إِلَّا عَلَى ٱلۡخَٰشِعِينَ 45 ٱلَّذِينَ يَظُنُّونَ أَنَّهُم مُّلَٰقُواْ رَبِّهِمۡ وَأَنَّهُمۡ إِلَيۡهِ رَٰجِعُونَ 46﴾

“আৰু তোমালোকে ধৈৰ্য্য আৰু চালাতৰ দ্বাৰা সহায় প্ৰাৰ্থনা কৰা। নিশ্চয় বিনয়ীসকলৰ বাহিৰে আনৰ বাবে এইটো বৰ কঠিন কাম।

(আৰু এইটো সেইসকল লোকৰ বাবে সহজ) যিসকলে বিশ্বাস কৰে যে, নিশ্চয় সিহঁতে সিহঁতৰ প্ৰতিপালকৰ লগত সাক্ষাৎ কৰিব আৰু নিশ্চয় সিহঁতে তেওঁৰ ফালেই উভতি যাব।” (ছুৰা আল-বাক্বাৰাহঃ ৪৫-৪৬) গতিকে মুমিনসকলৰ বাবে এইটো কঠিন নহয়, বৰং এইটো তেওঁলোকৰ বাবে অতি সহজ; আৰু এই কাৰণেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«جُعِلَتْ قُرَّةُ عَيْنِي فِي الصَّلَاةِ» [7].

“মোৰ চকুৰ শীতলতা ৰখা হৈছে চালাতৰ মাজত।”[2]

গতিকে, নামাজৰ ক্ষেত্ৰত আল্লাহৰ সৈতে উত্তম শিষ্টাচাৰ হৈছে এই যে, আপুনি যেতিয়া নামাজ পঢ়িব, তেতিয়া আপোনাৰ হৃদয় প্ৰফুল্লিত আৰু শান্ত হ’ব, আৰু

---

1 (বুখাৰীঃ কিতাবুল আজান, অনুচ্ছেদঃ জামাআতত ঈশ্বাৰ চালাতৰ ফজীলত, (৬৫৭), আৰু মুছলিমঃ কিতাবুল মাছাজিদ, অনুচ্ছেদঃ জামাআতত চালাতৰ ফজীলত, (৬৫১), হাদীছটো আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত)

2 আহমদ (৩/১২৮), নাছায়ীঃ কিতাব ইশ্বৰাতুন নিছা, বাব হুব্বুন নিছা (হাদীছ নং ৩৯৪০), আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

আপোনাৰ চকু শীতল হ'ব, আপুনি যেতিয়া নামাজত ব্যস্ত থাকিব তেতিয়া আনন্দিত হ’ব, আৰু যেতিয়া নামাজৰ সময় কাষ চাপিব তেতিয়া তাৰ বাবে অপেক্ষা কৰিব। এতেকে ফজৰৰ নামাজ আদায় কৰাৰ পিছত আপুনি জোহৰৰ নামাজৰ বাবে আগ্ৰহী হৈ থাকিব, জোহৰৰ নামাজ আদায় কৰাৰ পিছত আচৰৰ নামাজৰ বাবে আগ্ৰহী হৈ থাকিব, আচৰৰ নামাজ আদায় কৰাৰ পিছত মাগৰিবৰ নামাজৰ বাবে আগ্ৰহী হৈ থাকিব, মাগৰিবৰ নামাজ আদায় কৰাৰ পিছত ঈশ্বাৰ নামাজৰ বাবে আগ্ৰহী হৈ থাকিব, আৰু ঈশ্বাৰ নামাজ আদায় কৰাৰ পিছত ফজৰৰ নামাজৰ বাবে আগ্ৰহী হৈ থাকিব। এইদৰে সদায় আপোনাৰ হৃদয় এই ইবাদতসমূহৰ সৈতে জড়িত হৈ থাকিব। ইয়াত কোনো সন্দেহ নাই যে এইটোৱেই হৈছে আল্লাহ তাআলাৰ প্ৰতি উত্তম চৰিত্ৰৰ বহিঃপ্ৰকাশ।

লেনদেনৰ ক্ষেত্ৰত তৃতীয় উদাহৰণঃ সুতৰ লেনদেন হাৰাম সাব্যস্ত কৰা। কোৰআনত আল্লাহে আমাৰ বাবে সুতৰ লেনদেন স্পষ্টভাৱে হাৰাম কৰিছে, যেনে- মহান আল্লাহে কৈছেঃ

﴿...وَأَحَلَّ ٱللَّهُ ٱلۡبَيۡعَ وَحَرَّمَ ٱلرِّبَوٰاْۚ...﴾

“...আল্লাহে ব্যৱসায়.-বাণিজ্যক হালাল কৰিছে আৰু সুতক হাৰাম কৰিছে।...” এই সম্পৰ্কে তেওঁ আৰু কৈছেঃ

﴿...فَمَن جَآءَهُۥ مَوۡعِظَةٞ مِّن رَّبِّهِۦ فَٱنتَهَىٰ فَلَهُۥ مَا سَلَفَ وَأَمۡرُهُۥٓ إِلَى ٱللَّهِۖ وَمَنۡ عَادَ فَأُوْلَٰٓئِكَ أَصۡحَٰبُ ٱلنَّارِۖ هُمۡ فِيهَا خَٰلِدُونَ﴾

“এতেকে যাৰ ওচৰত তেওঁৰ প্ৰতিপালকৰ উপদেশ আহি পাইছে, তাৰ পিছত সি (সুত খোৱাৰ পৰা) বিৰত হৈছে, তেনে ব্যক্তিৰ বাবে (নিষিদ্ধ হোৱাৰ পূৰ্বে) যি অতীত হৈছে সেইটো হৈছেই; তাৰ হিচাপ নিকাচ আল্লাহৰ অধীনত; আনহাতে যিসকলে অমান্য কৰি উভতি যাব (অৰ্থাৎ পুনৰ সুত খাব) সিহঁতেই হৈছে জাহান্নামৰ অধিবাসী, তাত সিহঁত চিৰস্থায়ী হ’ব।” (ছুৰা আল-বাক্বাৰাহঃ ২৭৫) এতেকে উপদেশ অহাৰ পিছতো তথা বিধান জনাৰ পিছতো যিয়ে পুনৰ সুতত লিপ্ত হ’ব, তাৰ বাবে আল্লাহে জাহান্নামত চিৰকাল অৱস্থান কৰিবলগীয়া শাস্তিৰ প্ৰতিশ্ৰুতি দিছে— আমি আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ।

এতেকে মুমিন ব্যক্তিয়ে এই ধৰণৰ বিধানক মুক্ত মনে, সন্তুষ্টিচিত্তে আৰু আত্মসমৰ্পণৰ সৈতে গ্ৰহণ কৰে। পক্ষান্তৰে ঈমান পোষণ নকৰা ব্যক্তিয়ে এইটো গ্ৰহণ নকৰে আৰু ইয়াৰ প্ৰতি তাৰ অন্তৰ সংকুচিত হৈ পৰে, লগতে সি হয়তো বিভিন্ন ছল-চাতুৰীৰ আশ্ৰয় লৈ ইয়াক এৰাই চলিবলৈ চেষ্টা কৰে। কাৰণ আমি জানো যে, সুতৰ মাজত নিশ্চিত লাভ আছে, আৰু ইয়াত কোনো ধৰণৰ আশংকা নাই। কিন্তু প্ৰকৃততে এইটো হৈছে এজনৰ বাবে উপাৰ্জন আৰু আনজনৰ ওপৰত অন্যায়। এই কাৰণেই মহান আল্লাহে কৈছে:

﴿...وَإِن تُبۡتُمۡ فَلَكُمۡ رُءُوسُ أَمۡوَٰلِكُمۡ لَا تَظۡلِمُونَ وَلَا تُظۡلَمُونَ﴾

“আৰু যদি তোমালোকে তাওবা কৰা তেন্তে তোমালোকৰ মূলধন তোমালোকৰেই থাকিব।

তোমালোকে অন্যায় নকৰিবা আৰু তোমালোকৰ ওপৰতো অন্যায় কৰা নহ'ব।" (ছুৰা আল-বাক্বাৰাহঃ ২৭৯)

৩- মহান আল্লাহে নিৰ্ধাৰণ কৰা ভাগ্যৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰা আৰু ধৈৰ্য্য ধাৰণ কৰা: আৰু এইটো হৈছে আল্লাহৰ সৈতে উত্তম আচৰণৰ তৃতীয় বিষয়, আৰু আমি সকলোৱে জানো যে, মহান আল্লাহে তেওঁৰ সৃষ্টিৰ বাবে যি তাক্বদীৰ (ভাগ্য) নিৰ্ধাৰণ কৰিছে আৰু তেওঁ যি তাদবীৰ চলায়, সেই সকলোবোৰ সৃষ্টিৰ বাবে পছন্দনীয় নহয়। এতেকে আল্লাহে আমাৰ বাবে যি নিৰ্ধাৰণ কৰে, সেই সকলোবোৰ জানো আমাৰ বাবে অনুকূল? অৰ্থাৎ আমাৰ অন্তৰ সেই ফয়চালাৰ প্ৰতি ঢাল খায়নে, আৰু মানসিকভাৱে তাৰ সৈতে খাপ খায়নে? প্ৰকৃত সত্যটো হৈছে: নহয়।

উদাহৰণস্বৰূপে, বেমাৰ-আজাৰ মানুহৰ বাবে পছন্দনীয় নহয়, কাৰণ মানুহে সুস্থ হৈ থাকিবলৈ ভাল পায়।

এইদৰে দৰিদ্ৰতাকো মানুহে পছন্দ নকৰে, কাৰণ মানুহে ধনী হোৱাটোহে পছন্দ কৰে। একেদৰে অজ্ঞতাও মানুহৰ বাবে অনুকূল নহয়, কাৰণ মানুহে জ্ঞানী হোৱাটো পছন্দ কৰে। কিন্তু সৰ্বশক্তিমান আল্লাহে নিৰ্ধাৰণ কৰা ভাগ্য তেওঁৰ হিকমত অনুযায়ী বিভিন্ন ধৰণৰ হয়। ইয়াৰে কিছুমান মানুহৰ বাবে সেইটো অনুকূল হয় আৰু সি নিজৰ প্ৰকৃতি অনুযায়ী ইয়াত স্বাচ্ছন্দ্য বোধ কৰে, আনহাতে কিছুমান হৈছে ইয়াৰ

বিপৰীত। তেন্তে এনেক্ষেত্ৰত তেওঁ নিৰ্ধাৰণ কৰা ভাগ্য অনুসৰি সৰ্বশক্তিমান আল্লাহৰ সৈতে সৎ চৰিত্ৰ কেনেকুৱা হোৱা উচিত?

আল্লাহে নিৰ্ধাৰণ কৰা তাক্বদীৰৰ ক্ষেত্ৰত আল্লাহৰ প্ৰতি উত্তম আচৰণ প্ৰদৰ্শন কৰাৰ অৰ্থ হৈছে, আল্লাহে আপোনাৰ বাবে যি নিৰ্ধাৰণ কৰিছে তাৰ ওপৰত সন্তুষ্ট থাকক, আৰু তাৰ প্ৰতি নিশ্চিন্ত থাকক, লগতে এই কথা জানি থওক যে, মহান আল্লাহে যি নিৰ্ধাৰণ কৰিছে সেয়া কেৱল এক হিকমত আৰু প্ৰশংসনীয় উদ্দেশ্যতেই নিৰ্ধাৰণ কৰিছে, যাৰ বাবে তেওঁ প্ৰশংসা আৰু কৃতজ্ঞতাৰ যোগ্য।

এতেকে, আল্লাহে নিৰ্ধাৰণ কৰা তাক্বদীৰৰ ক্ষেত্ৰত আল্লাহৰ সৈতে উত্তম আচৰণ হৈছে, মানুহে (তেওঁৰ প্ৰতি) সন্তুষ্ট থকা, তেওঁৰ ওচৰত আত্মসমৰ্পন কৰা আৰু (তেওঁৰ ফয়চালাত) প্ৰশান্তি লাভ কৰা; সেই কাৰণেই আল্লাহে ধৈৰ্য্যশীলসকলৰ প্ৰশংসা কৰি কৈছেঃ

﴿...وَبَشِّرِ ٱلصَّٰبِرِينَ 155 ٱلَّذِينَ إِذَآ أَصَٰبَتۡهُم مُّصِيبَةٞ قَالُوٓاْ إِنَّا لِلَّهِ وَإِنَّآ إِلَيۡهِ
رَٰجِعُونَ156﴾

“আৰু তুমি ধৈৰ্য্যশীলসকলক সুসংবাদ দিয়া--

যিসকলে বিপদত আক্ৰান্ত হ’লে কয়, ‘আমিতো আল্লাহৰেই, আৰু নিশ্চয় আমি তেওঁৰ পিনেই প্ৰত্যাৱৰ্তনকাৰী’।” (ছুৰা আল-বাক্বাৰাহঃ ১৫৫-১৫৬)

দ্বিতীয়ঃ সৃষ্টিকুলৰ সৈতে কৰিবলগীয়া ব্যৱহাৰত উত্তম চৰিত্ৰ অৱলম্বন কৰা:

সৃষ্টজীৱৰ প্ৰতি অৱলম্বন কৰিবলগীয়া উত্তম চৰিত্ৰৰ একাংশই সংজ্ঞা প্ৰদান কৰিছে, যাৰ ভিতৰত হাছান বাছৰী ৰাহিমাহুল্লাহ হৈছে অন্যতম। তেওঁৰ মতে ইয়াৰ সংজ্ঞা হৈছেঃ কাকো কষ্ট নিদিয়া, আনৰ উপকাৰ কৰা আৰু হাঁহিমুখে সাক্ষাৎ কৰা।[1]

প্ৰথমঃ কাকো কষ্ট নিদিয়াৰ অৰ্থ হৈছে, মানুহে আনক কষ্ট দিয়াৰ পৰা বিৰত থকা, সেই কষ্ট ধন-সম্পদৰ সৈতেই জড়িত হওক, অথবা জীৱনৰ সৈতে বা মান-সন্মানৰ সৈতেই জড়িত হওক। এতেকে যিয়ে সৃষ্টিজীৱক কষ্ট দিয়াৰ পৰা বিৰত নাথাকে, তাৰ চৰিত্ৰ উত্তম নহয়, বৰং সি হৈছে অসৎ চৰিত্ৰৰ অধিকাৰী।

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ উম্মতৰ সৈতে সমবেত হোৱা সৰ্ববৃহৎ সমাৱেশত ইয়াৰ হাৰাম হোৱাৰ কথা ঘোষণা কৰিছে, তেখেতে কৈছেঃ

«إِنَّ دِمَاءَكُمْ وَأَمْوَالَكُمْ وَأَعْرَاضَكُمْ عَلَيْكُمْ حَرَامٌ، كَحُرْمَةِ يَوْمِكُمْ هَذَا، فِي شَهْرِكُمْ هَذَا، فِي بَلَدِكُمْ هَذَا» [9].

“নিশ্চয় তোমালোকৰ তেজ, তোমালোকৰ সম্পদ, তোমালোকৰ সন্মান-সম্ভ্ৰম তোমালোকৰ ওপৰত সেইদৰেই সন্মানীয়, যিদৰে তোমালোকৰ এই দিৱস আৰু তোমালোকৰ এই মাহ আৰু তোমালোকৰ এই চহৰ সন্মানীয়।”[2]

[1] (এহয়াউ উলুমিদ্দীনঃ ৩/৫২-৫৩)

[2] (বুখাৰীঃ কিতাবুল হজ্জ, অধ্যায়ঃ মিনাৰ দিনসমূহত খুতবা, নং (১৭৪১), আৰু মুছলিমঃ কিতাবুল কাছামাহ, অধ্যায়ঃ ৰক্তপাত হাৰাম হোৱাৰ কঠোৰতা, নং (১৬৭৯), হাদীছটো আবু বাকৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত)

যদি কোনো ব্যক্তিয়ে সীমালংঘন কৰি কাৰোবাৰ ধন-সম্পদ কাঢ়ি লয়, বা প্ৰতাৰণা কৰে, নাইবা বিশ্বাসঘাতকতা কৰে, অথবা মাৰপিট কৰে আৰু অপৰাধ সংঘটিত কৰে, অথবা গালি-শপনি পাৰে নাইবা পৰনিন্দা কৰে, তেন্তে মানুহৰ লগত এইটো কেতিয়াও উত্তম চৰিত্ৰ হ'ব নোৱাৰে; কাৰণ সি মানুহক কষ্ট দিয়াৰ পৰা বিৰত থকা নাই, আৰু ইয়াৰ গুনাহ সেই সময়ত অধিক বৃদ্ধি পায় যেতিয়া এইধৰণৰ আচৰণ সেই ব্যক্তিৰ প্ৰতি কৰা হয়, যাৰ অধিকাৰ আপোনাৰ ওপৰত সৰ্বাধিক।

উদাহৰণস্বৰূপে, পিতৃ-মাতৃৰ সৈতে বেয়া আচৰণ কৰাটো অন্য লোকৰ সৈতে কৰা বেয়া আচৰণৰ তুলনাত অধিক গুৰুতৰ, দূৰৱৰ্তী লোকৰ সৈতে কৰা বেয়া আচৰণৰ তুলনাত আত্মীয়-স্বজনৰ সৈতে কৰা বেয়া আচৰণ অধিক গুৰুতৰ, এইদৰে প্ৰতিৱেশীৰ সৈতে কৰা বেয়া আচৰণ হৈছে সেই ব্যক্তিৰ সৈতে কৰা বেয়া আচৰণৰ তুলনাত অধিক গুৰুতৰ, যিজন আপোনাৰ প্ৰতিৱেশী নহয়। এই বাবেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«وَاللَّهِ لَا يُؤْمِنُ، وَاللَّهِ لَا يُؤْمِنُ، وَاللَّهِ لَا يُؤْمِنُ». قَالُوا: مَنْ يَا رَسُولَ اللَّهِ؟ قَالَ: «مَنْ لَا يَأْمَنُ جَارُهُ بَوَائِقَهُ» [10].

"আল্লাহৰ শপত! সেই ব্যক্তি মুমিন নহয়। আল্লাহৰ শপত! সেই ব্যক্তি মুমিন নহয়। আল্লাহৰ শপত! সেই ব্যক্তি মুমিন নহয়।" চাহাবাসকলে সুধিলেঃ হে আল্লাহৰ

ৰাছুল কোন ব্যক্তি মুমিন নহয়? তেখেতে ক'লেঃ “যাৰ অনিষ্টৰ পৰা তাৰ প্ৰতিৱেশী সুৰক্ষিত নহয়।”[1]

দ্বিতীয়ঃ 'বজলুন নাদা'ৰ অৰ্থ হৈছেঃ 'নাদা' মানে হৈছে দানশীলতা আৰু উদাৰতা, অৰ্থাৎ দানশীলতা আৰু উদাৰতা প্ৰদৰ্শন কৰা। কেৱল ধন-সম্পদ ব্যয় কৰাটোৱে উদাৰতা নহয় যিদৰে কিছুমানে ধাৰণা কৰে, বৰঞ্চ উদাৰতা নিহিত থাকে নিজৰ প্ৰাণ, পদমৰ্যাদা আৰু ধন-সম্পদ ব্যয় কৰাৰ মাজত।

এতেকে যেতিয়া আমি কোনো ব্যক্তিক দেখিবলৈ পাওঁ, যিয়ে মানুহৰ প্ৰয়োজন পূৰণ কৰে, তেওঁলোকক সহায় কৰে, তেওঁলোকৰ কামৰ বাবে এনেকুৱা ব্যক্তিৰ ওচৰলৈ যায় যাৰ ওচৰলৈ তেওঁলোকে যাবলৈ সক্ষম নহয়, মানুহৰ মাজত নিজৰ জ্ঞান প্ৰচাৰ কৰে আৰু মানুহৰ মাজত নিজৰ ধন-সম্পদ ব্যয় কৰে, তেতিয়া আমি তেওঁক সদাচৰণৰ অধিকাৰী বুলি আখ্যা দিওঁ; কাৰণ তেওঁ উদাৰতা প্ৰদৰ্শন কৰিছে, আৰু এইবাবেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«اتَّقِ اللَّهَ حَيْثُمَا كُنْتَ، وَأَتْبِعِ السَّيِّئَةَ الْحَسَنَةَ تَمْحُهَا، وَخَالِقِ النَّاسَ بِخُلُقٍ حَسَنٍ» .[11]

“তুমি য'তেই যি অৱস্থাতে নাথাকা কিয়, আল্লাহক ভয় কৰা আৰু প্ৰত্যেক বেয়া কামৰ পাছত ভাল কাম কৰিবা,

---

[1] বুখাৰীঃ কিতাবুল আদব, অনুচ্ছেদঃ যি ব্যক্তিৰ অনিষ্টৰ পৰা তাৰ প্ৰতিৱেশী নিৰাপদ নহয় সেই ব্যক্তিৰ গুনাহ সম্পৰ্কীয় প্ৰসংগ, হাদীছ নং (৬০১৬), হাদীছটো আবু শ্বুৰাইহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

এইটোৱে বেয়াক মচি পেলায়; লগতে মানুহৰ লগত ভাল ব্যৱহাৰ কৰিবা।”[1]

আৰু মানুহৰ সৈতে সদাচৰণ কৰাৰ অন্তৰ্গত হৈছে: যদি আপোনাৰ প্ৰতি অন্যায় কৰা হয় অথবা আপোনাৰ সৈতে বেয়া ব্যৱহাৰ কৰা হয়, তেন্তে আপুনি ক্ষমা কৰি দিয়ক। কাৰণ আল্লাহে মানুহক ক্ষমা কৰি দিয়া ব্যক্তিসকলৰ প্ৰশংসা কৰিছে। এতেকে তেওঁ জান্নাতবাসীসকলৰ সন্দৰ্ভত কৈছে:

﴿ٱلَّذِينَ يُنفِقُونَ فِي ٱلسَّرَّآءِ وَٱلضَّرَّآءِ وَٱلۡكَٰظِمِينَ ٱلۡغَيۡظَ وَٱلۡعَافِينَ عَنِ ٱلنَّاسِۗ وَٱللَّهُ يُحِبُّ ٱلۡمُحۡسِنِينَ134﴾

“যিসকলে সচ্ছল আৰু অসচ্ছল অৱস্থাত দান কৰে, আৰু ক্ৰোধ সংবৰণ কৰে তথা মানুহক ক্ষমা কৰি দিয়ে; আল্লাহে (সেই) সৎকৰ্মশীল লোকসকলক ভাল পায়।” (ছুৰা আলে-ইমৰাণঃ ১৩৪)

মহান আল্লাহে আৰু কৈছেঃ

﴿...وَأَن تَعۡفُوٓاْ أَقۡرَبُ لِلتَّقۡوَىٰ...﴾

“ক্ষমা কৰি দিয়াটোৱেই হৈছে তাক্বৱাৰ অধিক নিকটৱৰ্তী।” (ছুৰা আল-বাক্বাৰাহঃ ২৩৭)

মহান আল্লাহে আৰু কৈছেঃ

﴿...وَلۡيَعۡفُواْ وَلۡيَصۡفَحُوٓاْ...﴾

“তেওঁলোকে যেন সিহঁতক ক্ষমা কৰি দিয়ে আৰু সিহঁতৰ দোষ-ত্ৰুটিবোৰ উপেক্ষা কৰে।” [ছুৰা আন-নূৰ: ২২]

---

[1] তিৰমিজী: সৎকৰ্ম আৰু আত্মীয়তা ৰক্ষা অধ্যায়, মানুহৰ সৈতে ব্যৱহাৰ সম্পৰ্কীয় অনুচ্ছেদ (হাদীছ নং ১৯৮৭), হাদীছটো আবু যৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

মহান আল্লাহে আৰু কৈছেঃ

﴿...فَمَنۡ عَفَا وَأَصۡلَحَ فَأَجۡرُهُۥ عَلَى ٱللَّهِۚ...﴾

"এতেকে যিয়ে ক্ষমা কৰি দিয়ে আৰু আপোচ-নিষ্পত্তি কৰে, তাৰ বাবে আছে আল্লাহৰ ওচৰত পুৰস্কাৰ।" (ছুৰা আশ্ব-শ্বুৰাঃ ৪০)

আৰু মানুহৰ সৈতে চলাফুৰা কৰা প্ৰতিজন ব্যক্তিয়ে মানুহৰ পৰা কিছু পৰিমাণে হ'লেও বেয়া ব্যৱহাৰ পোৱাটো নিশ্চিত। গতিকে এই বেয়া ব্যৱহাৰৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী হোৱা উচিত ক্ষমা কৰা আৰু আওকাণ কৰা (উদাৰতা দেখুওৱা)। লগতে তেওঁ নিশ্চিতভাৱে জানি থোৱা উচিত যে, তেওঁৰ এই ক্ষমা, উদাৰতা আৰু বেয়াৰ বিনিময়ত ভাল ব্যৱহাৰ কৰাৰ ফলত, তেওঁ আৰু তেওঁৰ ভাতৃৰ মাজত থকা শত্ৰুতা অন্তৰঙ্গ বন্ধুত্বলৈ ৰূপান্তৰিত হৈ পৰিব। মহান আল্লাহে কৈছে:

﴿وَلَا تَسۡتَوِي ٱلۡحَسَنَةُ وَلَا ٱلسَّيِّئَةُۚ ٱدۡفَعۡ بِٱلَّتِي هِيَ أَحۡسَنُ فَإِذَا ٱلَّذِي بَيۡنَكَ وَبَيۡنَهُۥ عَدَٰوَةٞ كَأَنَّهُۥ وَلِيٌّ حَمِيمٞ34﴾

"ভাল আৰু বেয়া কেতিয়াও সমান হ'ব নোৱাৰে। সেয়ে উৎকৃষ্ট পন্থাৰে বেয়াক প্ৰতিহত কৰা, ফলত তোমাৰ আৰু যাৰ মাজত শত্ৰুতা আছে, (এনে কৰিলে) সি হৈ যাব তোমাৰ অন্তৰঙ্গ বন্ধুৰ দৰে।" (ছুৰা ফুচ্ছিলাতঃ ৩৪)

আৰু হে আৰবী ভাষা জনা লোকসকল (বিজ্ঞসকল)! গভীৰভাৱে চিন্তা কৰি চাওকচোন, ইয়াৰ পৰিণাম বা ফলাফলটো কেনেকৈ আকস্মিকতা প্ৰকাশক 'ইজা' (إِذَا الفُجَائِيَّة)ৰ সৈতে আহিছে; কাৰণ

আকস্মিকতা প্ৰকাশক 'ইজা'ই ইয়াৰ ফলাফল বা পৰিণামটো তাৎক্ষণিকভাৱে সংঘটিত হোৱাটোক বুজায়।

﴿...فَإِذَا ٱلَّذِي بَيۡنَكَ وَبَيۡنَهُۥ عَدَٰوَةٞ كَأَنَّهُۥ وَلِيٌّ حَمِيمٞ﴾،

"ফলত তোমাৰ আৰু যাৰ মাজত শত্ৰুতা আছে, (এনে কৰিলে) সি হৈ যাব তোমাৰ অন্তৰঙ্গ বন্ধুৰ দৰে।" কিন্তু সকলোৱেই ইয়াৰ তাওফীক লাভ নকৰে। মহান আল্লাহে কৈছেঃ

﴿وَمَا يُلَقَّىٰهَآ إِلَّا ٱلَّذِينَ صَبَرُواْ وَمَا يُلَقَّىٰهَآ إِلَّا ذُو حَظٍّ عَظِيمٖ35﴾

"এই চৰিত্ৰৰ অধিকাৰী কেৱল তেওঁলোকেই হয় যিসকল ধৈৰ্য্যশীল। লগতে ইয়াৰ অধিকাৰী কেৱল তেওঁলোকেই হয় যিসকল মহাভাগ্যৱান।" (ছুৰা ফুচ্ছিলাতঃ ৩৫)

আৰু আমি ইয়াৰ পৰা এইটো বুজো নেকি যে, অপৰাধীক ক্ষমা কৰি দিয়াটো হৈছে সম্পূৰ্ণৰূপে প্ৰশংসনীয় আৰু ইয়াৰ নিৰ্দেশ দিয়া হৈছে? আয়াতৰ পৰা হয়তো এইটো বুজা যাব পাৰে, কিন্তু জানি থোৱা উচিত যে, ক্ষমা কৰাটো তেতিয়াহে প্ৰশংসনীয়, যেতিয়া ক্ষমা কৰাটো উত্তম। আনহাতে যদি প্ৰতিশোধ লোৱাটো উত্তম হয় তেন্তে প্ৰতিশোধ লোৱাটোৱেই শ্ৰেষ্ঠ; আৰু এই কাৰণেই মহান আল্লাহে কৈছে:

﴿...فَمَنۡ عَفَا وَأَصۡلَحَ فَأَجۡرُهُۥ عَلَى ٱللَّهِۚ...﴾

"....এতেকে যিয়ে ক্ষমা কৰি দিয়ে আৰু আপোচ-নিষ্পত্তি কৰে, তাৰ বাবে আছে আল্লাহৰ ওচৰত

পুৰস্কাৰ....।” (ছুৰা আশ্ব-শ্ব্‌বুৰাঃ ৪০) এতেকে ক্ষমাক সংশোধনৰ সৈতে সংযুক্ত কৰা হৈছে।

আনহাতে ক্ষমা কৰাটো কেতিয়াবা সংশোধনমূলক নহ'বও পাৰে। কাৰণ যি ব্যক্তিয়ে আপোনাৰ ওপৰত অপৰাধ কৰিছে আৰু দুঃসাহস দেখুৱাইছে, সেই ব্যক্তি হয়তো অনিষ্টকাৰী আৰু ফাচাদী হিচাপেও পৰিচিত ব্যক্তি হ'ব পাৰে। এনে অৱস্থাত যদি আপুনি তাক ক্ষমা কৰি দিয়ে, তেন্তে সি অনিষ্ট আৰু ফাচাদৰ ক্ষেত্ৰত আৰু অধিক লিপ্ত হৈ পৰিব। সেয়েহে এনে পৰিস্থিতিত অপৰাধৰ কাৰণে জবাবদিহি কৰাটোৱেই হৈছে উত্তম, কাৰণ ইয়াৰ মাজতেই সংশোধন নিহিত আছে। শ্বাইখুল ইছলাম ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে কৈছে: “সংশোধন কৰাটো হৈছে অপৰিহাৰ্য্য, আৰু ক্ষমা কৰাটো হৈছে বাঞ্ছনীয়। এতেকে যদি ক্ষমা কৰাৰ ফলত সংশোধন ব্যাহত হয়, তেন্তে ইয়াৰ অৰ্থ হ'ব যে আমি এটা অপৰিহাৰ্য্য কামৰ ওপৰত এটা বাঞ্ছনীয় কামক প্ৰাধান্য দিলোঁ, আৰু শ্বৰীয়তে এনেকুৱা বিধান প্ৰদান নকৰে।” আৰু তেখেতে সত্য কৈছে, ৰাহিমাহুল্লাহ।

এই চেগতে মই এটা বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰোঁ, যিটো বহুতো মানুহে সৎকৰ্ম কৰাৰ উদ্দেশ্যেৰে কৰে। সেয়া হৈছে- কোনো ব্যক্তিৰ দ্বাৰা এটা দুৰ্ঘটনা সংঘটিত হয় আৰু তাৰ ফলত আন এজন ব্যক্তিৰ মৃত্যু হয়, তেতিয়া নিহত ব্যক্তিজনৰ পৰিয়ালবৰ্গই আহি দুৰ্ঘটনা সংঘটিত কৰা অপৰাধীজনক ৰক্তপণ ৰেহাই দিয়ে। এতেকে তেওঁলোকৰ এই ৰক্তপণ ৰেহাই দিয়া

কাৰ্যটোক প্ৰশংসনীয় বুলি আৰু ইয়াক উত্তম চৰিত্ৰ বুলি গণ্য কৰা হ'বনে, নে এই ক্ষেত্ৰত কোনো বিস্তাৰিত ব্যাখ্যা আছে?

হয়, এই ক্ষেত্ৰত কিছু ব্যাখ্যাৰ প্ৰয়োজন আছে: এতেকে যিজন অপৰাধীৰ দ্বাৰা এই দুৰ্ঘটনাটো সংঘটিত হৈছে, তাৰ অৱস্থাৰ বিষয়ে আমি অৱশ্যে গভীৰভাৱে চিন্তা-চৰ্চা কৰা উচিত। সি এনেকুৱা লোকসকলৰ অন্তৰ্ভুক্ত নেকি, যিসকল ব্যক্তি অবিবেচক আৰু বেপৰোৱা বুলি পৰিচিত? সি এনেকুৱা প্ৰকৃতিৰ লোক নেকি যিয়ে —আল্লাহে ৰক্ষা কৰক— কোনো ব্যক্তিক খুন্দা মাৰিবলৈকো ভ্ৰূক্ষেপ নকৰে, কাৰণ সি তাৰ দিয়ত (ৰক্তপণ) আদায় কৰিবলৈ সক্ষম? নে সি এনেকুৱা এজন ব্যক্তি যাৰ পূৰ্ণ সতৰ্কতা আৰু সম্পূৰ্ণ ভাৰসাম্য থকা সত্ত্বেও তাৰ দ্বাৰা এই দুৰ্ঘটনাটো সংঘটিত হৈছে, যদিও আল্লাহে প্ৰত্যেকটো বস্তুৰ বাবে এটা নিৰ্দিষ্ট তাক্বদীৰ নিৰ্ধাৰণ কৰি ৰাখিছে?

গতিকে যদি সেই ব্যক্তিজন দ্বিতীয় শ্ৰেণীৰ হয়, তেন্তে তাৰ ক্ষেত্ৰত ক্ষমা কৰি দিয়াটোৱে হৈছে উত্তম। কিন্তু দ্বিতীয় শ্ৰেণীৰ ক্ষেত্ৰতো ক্ষমা কৰাৰ পূৰ্বে আমি লক্ষ্য কৰা উচিত যে: মৃতকৰ কোনো ঋণ আছে নেকি? যদি মৃতকৰ ঋণ থাকে আৰু ৰক্তপণৰ বাহিৰে সেয়া পৰিশোধ কৰিবলৈ আন কোনো উপায় নাথাকে, তেন্তে আমি ক্ষমা কৰি দিয়াটো সম্ভৱ নহয়; কাৰণ মিৰাছৰ পূৰ্বে ঋণ পৰিশোধ কৰা বিষয়টোৱে অগ্ৰাধিকাৰ পায়। গতিকে আমি যদি ক্ষমা কৰিও দিওঁ, তথাপিও আমাৰ

সেই ক্ষমা গ্ৰহণযোগ্য নহ'ব। এইটো এনেকুৱা এটা বিষয় যিটোৰ প্ৰতি হয়তো বহুতো লোকে আওকাণ কৰে। আমি এই কথাটো এইকাৰণেই কৈছোঁ যে, দুৰ্ঘটনাত নিহত হোৱা মৃত ব্যক্তিৰ ফালৰ পৰাই ওৱাৰিছসকলে এই ৰক্তপণৰ অধিকাৰ লাভ কৰে, আৰু ঋণ পৰিশোধ কৰাৰ পিছতহে তেওঁলোকৰ এই অধিকাৰ সাব্যস্ত হয়। এই কাৰণেই আল্লাহে যেতিয়া মিৰাছৰ কথা উল্লেখ কৰিছে, তেতিয়া তেওঁ কৈছে:

﴿...مِنۢ بَعۡدِ وَصِيَّةٖ يُوصِي بِهَآ أَوۡ دَيۡنٍۗ...﴾

"...তাৰ অছিয়ত আৰু ঋণ পৰিশোধ কৰাৰ পিছত।..." (ছুৰা আন-নিছাঃ ১১)

মুঠতে, মানুহক ক্ষমা কৰি দিয়াটো হৈছে সদাচৰণৰ অন্তৰ্ভুক্ত, আৰু এইটো হৈছে উদাৰতা প্ৰদৰ্শনৰ এটা অংশ; কাৰণ উদাৰতা প্ৰদৰ্শনৰ অৰ্থ হৈছে, হয়তো কিবা প্ৰদান কৰা নাইবা ৰেহাই দিয়া, আৰু ক্ষমা কৰাটো হৈছে ৰেহাই দিয়াৰ অন্তৰ্ভুক্ত।

তৃতীয়ঃ প্ৰফুল্ল মুখমণ্ডলঃ অৰ্থাৎ হাঁহিমুখে থাকিব লাগে, আৰু ইয়াৰ বিপৰীত বিষয়টো হৈছে গোমোঠা-মুখী হোৱা। সেই কাৰণেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَا تَحْقِرَنَّ مِنَ المَعْرُوفِ شَيْئًا، وَلَوْ أَنْ تَلْقَى أَخَاكَ بِوَجْهٍ طَلْقٍ» [12].

“কোনো সৎকৰ্মকেই তুমি তুচ্ছ জ্ঞান নকৰিবা। যদিও সেইটো তোমাৰ (মুছলিম) ভাতৃৰ সৈতে হাঁহিমুখে সাক্ষাৎ কৰাই নহওক কিয়।”[1]

এতেকে হাঁহিমুখে কাৰোবাৰ সৈতে সাক্ষাৎ কৰিলে তেওঁৰ অন্তৰত আনন্দৰ সঞ্চাৰ হয়। ইয়াৰ ফলত মুহাব্বত তথা ভালপোৱা গঢ়ি উঠে, লগতে ই আপোনাৰ আৰু আপোনাৰ সৈতে সাক্ষাৎ কৰা ব্যক্তিজনৰ অন্তৰত প্ৰশান্তি কঢ়িয়াই আনে। পৰীক্ষা কৰি চাওক, আপুনি নিজেই ইয়াৰ প্ৰমাণ পাব।

কিন্তু আপুনি যদি গোমোঠা-মুখী হয়, তেনেহ'লে মানুহে আপোনাৰ পৰা আঁতৰি থাকিব, আৰু আপোনাৰ লগত বহিবলৈ তথা কথা-বতৰা পাতিবলৈকো তেওঁলোকে অন্তৰত প্ৰশান্তি অনুভৱ নকৰিব। আনকি আপুনি হয়তো 'ৰক্তচাপ' নামৰ এক ভয়ংকৰ ৰোগতো আক্ৰান্ত হ’ব পাৰে। কাৰণ অন্তৰৰ প্ৰশান্তি আৰু প্ৰফুল্ল মুখমণ্ডল হৈছে এই ৰোগ প্ৰতিৰোধ কৰাৰ অন্যতম ফলপ্ৰসূ ঔষধ; সেইবাবেই চিকিৎসকসকলে এই ৰোগত আক্ৰান্ত ব্যক্তিক এনে সকলো কাৰকৰ পৰা আঁতৰি থাকিবলৈ উপদেশ দিয়ে, যিয়ে তেওঁক উত্তেজিত কৰে আৰু খং উঠায়; কাৰণ ইয়াৰ ফলত তেওঁৰ ৰোগ বৃদ্ধি পায়। আনহাতে প্ৰফুল্ল মুখমণ্ডলে এই ৰোগ নিৰ্মূল

[1] মুছলিমঃ কিতাবুল বিৰ্ৰ অচ্ছিলাহ, অনুচ্ছেদঃ কাৰোবাৰ সৈতে সাক্ষাৎ কৰাৰ সময়ত হাঁহিমুখে সাক্ষাৎ কৰা মুস্তাহাব, নম্বৰ (২৬২৬), হাদীছটো আবু যৰ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত।

কৰে; কাৰণ ইয়াৰ জৰিয়তে ব্যক্তিয়ে অন্তৰত প্ৰশান্তি লাভ কৰে আৰু সৃষ্টিজীৱৰ প্ৰিয়পাত্ৰ হৈ পৰে।

এইবোৰেই হৈছে সেই তিনিটা মূলনীতি, যাৰ ওপৰত সৃষ্টিৰ সৈতে কৰা ব্যৱহাৰত উত্তম চৰিত্ৰ নিৰ্ভৰ কৰে।

আৰু সৃষ্টিজীৱৰ সৈতে উত্তম চৰিত্ৰৰ অন্তৰ্ভুক্ত হৈছে: বন্ধু-বান্ধৱ, আত্মীয়-স্বজন আৰু পৰিয়ালৰ লোকসকলৰ সৈতে উত্তম ব্যৱহাৰ কৰা। গতিকে তেওঁলোকৰ প্ৰতি বিৰক্ত নোহোৱা আৰু তেওঁলোককো কোনো কষ্ট নিদিয়া, বৰঞ্চ আল্লাহৰ শ্বৰীয়তৰ সীমাৰ ভিতৰত থাকি যিমান দূৰ সম্ভৱ তেওঁলোকক আনন্দিত কৰা। এই চৰ্তটো নিতান্তই প্ৰয়োজনীয়; কাৰণ মানুহৰ মাজত এনেকুৱা কিছুমান লোক আছে, যিসকলে আল্লাহৰ অবাধ্যতাৰ বাহিৰে আন একোতেই আনন্দ নাপায় - আমি এনেকুৱা বিষয়ৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰোঁ-, গতিকে আমি এই ক্ষেত্ৰত তেওঁলোকৰ সৈতে একমত নহওঁ। কিন্তু শ্বৰীয়তৰ সীমাৰ ভিতৰত থাকি নিজৰ লগত সম্পৰ্ক থকা পৰিয়াল, বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনক আনন্দিত কৰাটো উত্তম চৰিত্ৰৰ অন্তৰ্ভুক্ত; আৰু সেইবাবেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«خَيْرُكُمْ خَيْرُكُمْ لِأَهْلِهِ، وَأَنَا خَيْرُكُمْ لِأَهْلِي» [13].

**“তোমালোকৰ মাজত সৰ্বশ্ৰেষ্ঠ হৈছে সেইজন ব্যক্তি, যিজন নিজৰ পৰিয়ালৰ ওচৰত সৰ্বশ্ৰেষ্ঠ, আৰু মই মোৰ পৰিয়ালৰ ওচৰত তোমালোকৰ মাজত সৰ্বশ্ৰেষ্ঠ।”**[1]

অতি পৰিতাপৰ বিষয় যে, বহুতো মানুহে বেলেগ মানুহৰ সৈতে উত্তম ব্যৱহাৰ কৰে, কিন্তু নিজৰ পৰিয়ালৰ সৈতে উত্তম ব্যৱহাৰ নকৰে। এইটো হৈছে অত্যন্ত মাৰাত্মক ভুল তথা বাস্তৱতাৰ পৰিপন্থী। আপুনি কেনেকৈ দূৰৰ মানুহৰ সৈতে উত্তম ব্যৱহাৰ কৰে আৰু আত্মীয়সকলৰ সৈতে দুৰ্ব্যৱহাৰ কৰে?! এনেকুৱা ব্যক্তিয়ে হয়তো ক’ব পাৰে যে, “যিহেতু আত্মীয়সকলৰ লগত আনুষ্ঠানিকতা আৰু লৌকিকতা পৰিহাৰ কৰাত মই কোনো সংকোচবোধ নকৰোঁ, সেয়ে মই তেওঁলোকৰ সৈতো দুৰ্ব্যৱহাৰ কৰোঁ।” ইয়াৰ উত্তৰত আমি কওঁ যে, এইটো শুদ্ধ নহয়, কাৰণ আত্মীয়সকলেই হৈছে আপোনাৰ উত্তম ব্যৱহাৰ আৰু সজ আচৰণ লাভৰ আটাইতকৈ বেছি হকদাৰ।

وَلِهَذَا قَالَ رَجُلٌ: يَا رَسُولَ اللَّهِ، مَنْ أَحَقُّ النَّاسِ بِحُسْنِ صَحَابَتِي؟ قَالَ: «أُمُّكَ». قَالَ: ثُمَّ مَنْ؟ قَالَ: «أُمُّكَ». قَالَ: ثُمَّ مَنْ؟ قَالَ: «أُمُّكَ». قَالَ: ثُمَّ مَنْ؟ قَالَ: «أَبُوكَ» .[14]

**এইবাবেই এজন ব্যক্তিয়ে সুধিছিলঃ হে আল্লাহৰ ৰাছুল! মানুহৰ মাজত মোৰ সদ্ব্যৱহাৰ পোৱাৰ আটাইতকৈ**

[1] (তিৰমিজীঃ কিতাবুল মানাক্বিব, অনুচ্ছেদঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰীসকলৰ মৰ্যাদা, নম্বৰ (৩৮৯৫), আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ দ্বাৰা বৰ্ণিত হাদীছ, আৰু ইবনে মাজাহঃ কিতাবুন নিকাহ, অনুচ্ছেদঃ নাৰীসকলৰ সৈতে সজ আচৰণ, নম্বৰ (১৯৭৭), ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ দ্বাৰা বৰ্ণিত হাদীছ।)

বেছি অধিকাৰী কোন? তেখেতে কৈছিলঃ "তোমাৰ মাক।" তেওঁ ক'লেঃ ইয়াৰ পিছত কোন? তেখেতে ক'লেঃ "তোমাৰ মাক।" তেওঁ ক'লেঃ তাৰ পিছত কোন? তেখেতে ক'লেঃ "তোমাৰ মাক।" তেওঁ আকৌ সুধিলেঃ তাৰ পিছত কোন? তেখেতে ক'লেঃ "তোমাৰ পিতা।"[1]

আনহাতে একাংশ মানুহৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত দৃশ্য দেখিবলৈ পোৱা যায়, আপুনি দেখিবলৈ পাব যে, সিহঁতে নিজৰ মাকৰ সৈতে বেয়া ব্যৱহাৰ কৰে আৰু স্ত্ৰীৰ সৈতে উত্তম ব্যৱহাৰ কৰে, ফলত এনেকুৱা লোকে মাকৰ প্ৰতি কৰিবলগীয়া সদাচৰণতকৈ নিজৰ স্ত্ৰীৰ সৈতে কৰা উত্তম ব্যৱহাৰক অধিক প্ৰাধান্য দিয়ে।

মুঠ কথা হৈছে যে, পৰিয়ালবৰ্গ, বন্ধুবৰ্গ আৰু আত্মীয়-স্বজনৰ সৈতে উত্তম ব্যৱহাৰ কৰা, এই সকলোবোৰ হৈছে উত্তম চৰিত্ৰৰ অন্তৰ্ভুক্ত।

এই গ্ৰীষ্মকালীন কেন্দ্ৰসমূহত আমি যুৱকসকলৰ উপস্থিতিক এনেদৰে সদ্ব্যৱহাৰ কৰা উচিত, যাতে আমি তেওঁলোকক উত্তম চৰিত্ৰৰ প্ৰশিক্ষণ দিব পাৰোঁ; যাতে এই কেন্দ্ৰটো শিক্ষা আৰু তৰবিয়তৰ কেন্দ্ৰত পৰিণত হ'ব পাৰে। কিয়নো তৰবিয়ত অবিহনে শিক্ষাৰ উপকাৰতকৈ অপকাৰহে বেছি, কিন্তু তৰবিয়তৰ সৈতে

[1] (বুখাৰীঃ কিতাবুল আদব, অনুচ্ছেদঃ সদাচৰণ পোৱাৰ আটাইতকৈ বেছি অধিকাৰী কোন, নম্বৰঃ (৫৯৭১), আৰু মুছলিমঃ কিতাবুল বিৰ্ৰি অচ্ছিলাহ অল-আদাব, অনুচ্ছেদঃ পিতা-মাতাৰ সৈতে সদাচৰণ আৰু তেওঁলোকেই ইয়াৰ আটাইতকৈ বেছি অধিকাৰী, নম্বৰঃ (২৫৪৮), হাদীছটো আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত।)

শিক্ষাই তাৰ অভীষ্ট ফলাফল প্ৰদান কৰে; আৰু সেই কাৰণেই মহান আল্লাহে কৈছে:

﴿مَا كَانَ لِبَشَرٍ أَن يُؤْتِيَهُ ٱللَّهُ ٱلْكِتَٰبَ وَٱلْحُكْمَ وَٱلنُّبُوَّةَ ثُمَّ يَقُولَ لِلنَّاسِ كُونُوا۟ عِبَادًا لِّي مِن دُونِ ٱللَّهِ وَلَٰكِن كُونُوا۟ رَبَّٰنِيِّـۧنَ بِمَا كُنتُمْ تُعَلِّمُونَ ٱلْكِتَٰبَ وَبِمَا كُنتُمْ تَدْرُسُونَ79﴾

“কোনো মানুহৰ বাবেই সংগত নহয় যে, আল্লাহে তেওঁক কিতাব, হিকমত আৰু নুবুওৱত দান কৰাৰ পাছত তেওঁ মানুহক ক’ব যে, ‘আল্লাহৰ পৰিবৰ্তে তোমালোকে মোৰ দাস হৈ যোৱা’, বৰং তেওঁ (এই বুলিহে) ক’ব, যিহেতু তোমালোকে কিতাব শিক্ষা দিয়া আৰু যিহেতু তোমালোকে অধ্যয়ন কৰা, গতিকে ‘তোমালোকে ৰাব্বানী হৈ যোৱা,’।” (ছুৰা আলে-ইমৰাণঃ ৭৯)

শিক্ষাৰ উপকাৰিতা হৈছে এইটোৱেই যে, মানুহ ৰব্বানী হ'ব লাগে, অৰ্থাৎ আল্লাহৰ বান্দাসকলক আল্লাহৰ চৰীয়তৰ ওপৰত গঢ়ি তুলিব লাগে। সেয়েহে এই কেন্দ্ৰসমূহৰ দায়িত্বশীলসকলৰ পৰা আমি আশা কৰোঁ যে, তেওঁলোকে এইবোৰক উত্তম চৰিত্ৰ অৰ্জনৰ প্ৰতিযোগিতাৰ ময়দান হিচাপে গঢ়ি তোলা উচিত, আৰু সদাচাৰ হৈছে ইয়াৰ অন্যতম।

আমি প্ৰথমতেই উল্লেখ কৰিছোঁ যে, উত্তম চৰিত্ৰ স্বভাৱগতও হ'ব পাৰে আৰু অভ্যাসগতও হ'ব পাৰে, আৰু অভ্যাসগত উত্তম চৰিত্ৰতকৈ স্বভাৱগত উত্তম চৰিত্ৰ হৈছে অধিক পৰিপূৰ্ণ। আমি ইয়াৰ প্ৰমাণো দাঙি ধৰিছোঁ, সেয়া হৈছে আশ্বাজ্জ আব্দুল কায়েছৰ প্ৰতি ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাণীঃ

«بَلِ اللَّهُ جَبَلَكَ عَلَيْهَا» [15].

"বৰং আল্লাহে তোমাক ইয়াৰ ওপৰতেই সৃষ্টি কৰিছো"[1]

ইয়াৰ কাৰণ হৈছে স্বভাৱজাত সৎচৰিত্ৰ মানুহৰ পৰা আঁতৰি নাযায়, কিন্তু অভ্যাসৰ দ্বাৰা অৰ্জিত সৎচৰিত্ৰ বহুতো ক্ষেত্ৰত মানুহে হেৰুৱাব পাৰে; যিহেতু ইয়াৰ বাবে অনুশীলন আৰু কষ্ট স্বীকাৰ কৰাৰ প্ৰয়োজন হয়, লগতে মানুহক উত্তেজিত কৰিব পৰা সকলো পৰিস্থিতিৰ সময়ত ইয়াক স্মৰণ কৰাৰ আৱশ্যক হয়।

وَلِهَذَا جَاءَ رَجُلٌ إِلَى رَسُولِ اللَّهِ ﷺ فَقَالَ: يَا رَسُولَ اللَّهِ، أَوْصِنِي. قَالَ: «لَا تَغْضَبْ»، فَرَدَّدَ مِرَارًا، قَالَ: «لَا تَغْضَبْ»[16]،

এইবাবেই এজন ব্যক্তিয়ে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লে, হে আল্লাহৰ ৰাছুল, মোক উপদেশ দিয়ক। তেখেতে ক'লে, "তুমি খং নকৰিবা।" ব্যক্তিজনে কেইবাবাৰো একেই প্ৰশ্ন কৰিলে। তেখেতেও প্ৰত্যেকবাৰেই এই কথাকেই ক'লে যে, তুমি খং নকৰিবা।[2] নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَيْسَ الشَّدِيدُ بِالصُّرَعَةِ، إِنَّمَا الشَّدِيدُ الَّذِي يَمْلِكُ نَفْسَهُ عِنْدَ الْغَضَبِ»[17].

"প্ৰকৃত বীৰ সেইজন নহয়, যিয়ে কাৰোবাক কুস্তিত (মল্লযুদ্ধত) পৰাজিত কৰে; বৰং প্ৰকৃত বীৰ হৈছে

---

1 আবু দাউদ: কিতাবুল আদব, অনুচ্ছেদঃ ফী ক্বাবীলাতিৰ ৰাজুল (হাদীছ নং ৫২২৫), ঝাৰে' ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ আব্দুল ক্বাইছৰ প্ৰতিনিধি দলত আছিল; আৰু তিৰমিজী: আবৱাবুল বিৰ্ৰি অচ্ছিলাহ, অনুচ্ছেদঃ মা জাআ ফিল আনাতি অল আজলাহ (হাদীছ নং ২০১১), হাদীছটো ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত।

2 (বুখাৰীঃ কিতাবুল আদব, অনুচ্ছেদঃ ক্ৰোধৰ পৰা সতৰ্কীকৰণ, হাদীছ নং (৬১১৬), হাদীছটো আবূ হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত।)

সেইজন, যিয়ে ক্ৰোধৰ সময়ত নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম।”[1]

আৰু (الصُّرَعَةُ) 'চুৰআহ' হৈছে সেই ব্যক্তি, যিয়ে মানুহক ধৰাশায়ী কৰে, যেনে- হুমাঝাহ আৰু লুমাঝাহ। হুমাঝাহ হৈছে সেই ব্যক্তি, যিয়ে মানুহক নিন্দা কৰে, আৰু লুমাঝাহ হৈছে সেই ব্যক্তি, যিয়ে মানুহৰ দোষ-ত্ৰুটি উলিয়াই উপহাস কৰে। গতিকে, প্ৰকৃত বীৰ সেইজন নহয়, যিয়ে মানুহক মল্লযুদ্ধত পৰাজিত কৰে আৰু তেওঁলোকৰ ওপৰত জয়লাভ কৰে।

«إِنَّمَا الشَّدِيدُ الَّذِي يَمْلِكُ نَفْسَهُ عِنْدَ الْغَضَبِ» [18]،

“বৰং প্ৰকৃত বীৰ হৈছে সেইজন, যিয়ে ক্ৰোধৰ সময়ত নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম।”[2] গতিকে যিজনে ক্ৰোধৰ সময়ত নিজৰ প্ৰবৃত্তিক পৰাজিত কৰে আৰু নিজকে নিয়ন্ত্ৰণ কৰে, তেঁৱেই হৈছে প্ৰকৃত বীৰ। ক্ৰোধৰ সময়ত মানুহে নিজকে নিয়ন্ত্ৰণ কৰাটো উত্তম চৰিত্ৰৰ অন্তৰ্ভুক্ত বুলি গণ্য কৰা হয়।

এতেকে যেতিয়া আপুনি ক্ৰোধান্বিত হ'ব, তেতিয়া ক্ৰোধ প্ৰয়োগ নকৰিব, বৰং সেই সময়ছোৱাত বিতাৰিত চয়তানৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিব।

---

[1] (বুখাৰীঃ শিষ্টাচাৰ অধ্যায়, অনুচ্ছেদঃ ক্ৰোধৰ পৰা সতৰ্কীকৰণ, হাদীছ নং (৬১১৪), মুছলিমঃ অধ্যায়ঃ কিতাবুল বিৰ্ৰ অচ্ছিলাহ অল আদাব, অনুচ্ছেদঃ ক্ৰোধৰ সময়ত নিজক নিয়ন্ত্ৰণ কৰা ব্যক্তিৰ মৰ্যাদা, নং (২৬০৯), হাদীছটো আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত।)

[2] (বুখাৰীঃ কিতাবুল আদব, অনুচ্ছেদঃ ক্ৰোধৰ পৰা সতৰ্কীকৰণ, হাদীছ নং (৬১১৪), আৰু মুছলিমঃ কিতাবুল বিৰ্ৰি অচ্ছিলাতি অল আদাব, অনুচ্ছেদঃ ক্ৰোধৰ সময়ত নিজক নিয়ন্ত্ৰণ কৰা ব্যক্তিৰ ফজীলত, নং (২৬০৯); আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।)

যদি আপুনি থিয় হৈ থাকে, তেন্তে বহি পৰিব, আৰু যদি বহি থাকে তেন্তে শুই পৰিব। আনহাতে তথাপিও যদি আপোনাৰ ক্ৰোধ বৃদ্ধি পায়, তেন্তে ওজু কৰিব, যাতে খং দূৰ হৈ যায়।

সাৰাংশ হৈছে: নিশ্চয় অৰ্জিত উত্তম চৰিত্ৰতকৈ স্বভাৱজাত উত্তম চৰিত্ৰ হৈছে অধিক শ্ৰেষ্ঠ; কাৰণ এইটো হৈছে মানুহৰ সহজাত স্বভাৱ, আৰু এইটো তেওঁৰ বাবে সকলো অৱস্থাতে প্ৰয়োগ কৰাটো সহজ হয়, কিন্তু অৰ্জিত চৰিত্ৰ কিছুমান অৱস্থাত উধাও হৈ যায়।

আৰু একেদৰে আমি কওঁ যে, সৎ চৰিত্ৰ মেহনত অধ্যাৱসায় তথা অনুশীলনৰ জৰিয়তেও অৰ্জন কৰিব পাৰি। অৰ্থাৎ মানুহে নিজকে প্ৰশিক্ষণ দিব লাগে আৰু ইয়াক ভাল চৰিত্ৰৰ দ্বাৰা অভ্যস্ত কৰিব লাগে। এইদৰে মানুহে বহু উপায়েৰে উত্তম চৰিত্ৰ অৰ্জন কৰিব পাৰে, তাৰ ভিতৰত অন্যতম হৈছেঃ

প্ৰথম: আল্লাহৰ কিতাপ আৰু তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নতৰ প্ৰতি লক্ষ্য কৰা উচিত; অৰ্থাৎ সেই মহান চৰিত্ৰৰ প্ৰশংসা সম্বলিত দলীলসমূহ অধ্যয়ন কৰা উচিত। কাৰণ, মুমিনে যেতিয়া কোনো চৰিত্ৰ বা আমলৰ প্ৰশংসা কৰা দলীল দেখা পায়, তেতিয়া তেওঁ তাৰ ওপৰত আমল কৰে।

দ্বিতীয়: সেইসকল লোকৰ সৈতে বন্ধুত্ব কৰিব লাগে, যিসকল উত্তম চৰিত্ৰৰ অধিকাৰী বুলি পৰিচিত, আৰু

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ বাণীত এই বিষয়ে ইংগিত দি কৈছে:

«مَثَلُ الْجَلِيسِ الصَّالِحِ وَالجَلِيسِ السُّوءِ كَحَامِلِ المِسْكِ وَنَافِخِ الكِيرِ، فَحَامِلُ المِسْكِ إِمَّا أَنْ يُحْذِيَكَ، وَإِمَّا أَنْ تَبْتَاعَ مِنْهُ، وَإِمَّا أَنْ تَجِدَ مِنْهُ رِيحًا طَيِّبَةً، وَنَافِخُ الكِيرِ إِمَّا أَنْ يَحْرِقَ ثِيَابَكَ، وَإِمَّا أَنْ تَجِدَ مِنْهُ رِيحًا خَبِيثَةً» [19].

"সৎ সঙ্গী আৰু অসৎ সঙ্গীৰ উদাহৰণ হৈছে আতৰ বিক্ৰেতা আৰু ভাটিত ফুঁ দিয়া কমাৰৰ দৰে। (সুগন্ধি বিক্ৰেতাৰ ওচৰত বহিলে) সুগন্ধি বিক্ৰেতাই হয়তো আপোনাক আতৰ উপহাৰ হিচাপে দিব, নহ'লে আপুনি তাৰ পৰা কিনি ল'ব, নাইবা আপুনি তাৰ ওচৰত থাকিলে ভাল সুগন্ধি পাই থাকিব। আনহাতে ভাটিত ফুঁ দিয়া কমাৰৰ ওচৰত বহিলে হয়তো ফিৰিঙতিয়ে আপোনাৰ কাপোৰ পুৰি দিব নাইবা আপুনি বেয়া গোন্ধ পাই থাকিব।"[1]

সেয়ে সকলো যুৱকৰে উচিত, সেইসকল লোকৰ সংগ অৱলম্বন কৰা, যিসকল উত্তম চৰিত্ৰৰ অধিকাৰী। লগতে তেওঁলোকে অসৎ চৰিত্ৰ আৰু নিকৃষ্ট কৰ্মৰ পৰা দূৰত্ব অৱলম্বন কৰা উচিত, যাতে তেওঁলোকে এনেকুৱা সংগৰ পৰা সেই শিক্ষা গ্ৰহণ কৰিব পাৰে যিটো তেওঁলোকৰ বাবে উত্তম চৰিত্ৰ অৱলম্বনত সহায়ক হ'ব।

[1] এই হাদীছটো ইমাম বুখাৰীয়ে 'কিতাবুজ জাবায়েহ অচ্ছাইদ' (জেবেহ আৰু চিকাৰ অধ্যায়), অনুচ্ছেদ: মুস্ক (সুগন্ধি), হাদীছ নম্বৰ (৫৫৩৪), আৰু ইমাম মুছলিমে 'কিতাবুল বিৰ্ৰি অচ্ছিলাহ' (সদাচৰণ আৰু আত্মীয়তা ৰক্ষা অধ্যায়), অনুচ্ছেদ: সৎ লোকৰ সংগ অৱলম্বন কৰা মুস্তাহাব, নম্বৰ (২৬২৮), আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

তৃতীয়ঃ মানুহে এই কথা চিন্তা কৰি চোৱা উচিত যে, বেয়া চৰিত্ৰৰ পৰিণাম কি হ'ব পাৰে; কাৰণ বেয়া চৰিত্ৰৰ অধিকাৰী ব্যক্তি হৈছে ঘৃণিত, বেয়া চৰিত্ৰ থকা ব্যক্তি হৈছে বৰ্জিত আৰু বেয়া চৰিত্ৰৰ অধিকাৰী ব্যক্তিক বেয়া বিশেষণেৰে স্মৰণ কৰা হয়। গতিকে মানুহে এই কথা জনাৰ পিছত যে, বেয়া চৰিত্ৰ অৱলম্বন কৰিলে এই অৱস্থা হয়, তেতিয়া সি ইয়াৰ পৰা দূৰত্ব অৱলম্বন কৰিব লাগে।

*

## নবী চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে সৰ্বোত্তম আদৰ্শ

আৰু আমাৰ বাবে আছে আল্লাহৰ ৰাছুলৰ মাজত উত্তম আদৰ্শ, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে সকলোতকৈ উত্তম চৰিত্ৰৰ অধিকাৰী; কাৰণ মহান আল্লাহে তেখেতৰ বিষয়ে কৈছে:

﴿وَإِنَّكَ لَعَلَىٰ خُلُقٍ عَظِيمٖ4﴾

"আৰু নিশ্চয় তুমি মহান চৰিত্ৰৰ উচ্চ শৃঙ্গত অধিষ্ঠিত।" (ছুৰা আল-কলমঃ ৪) গতিকে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত সংঘটিত হোৱা ঘটনাৱলীয়ে তেখেতৰ উত্তম চৰিত্ৰৰ প্ৰমাণ দিয়ে, আনকি শিশুসকলৰ লগতো তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে উত্তম ব্যৱহাৰ কৰিছিল; তেখেতে সিহঁতক মৰম কৰিছিল আৰু সিহঁতৰ সৈতে ধেমালিও কৰিছিল, আৰু তেখেতে এটি শিশুক এইদৰে কৈছিল:

«يَا أَبَا عُمَيْرٍ، مَا فَعَلَ النُّغَيْرُ؟» [20]،

“হে আবু উমায়ৰ! নুগাইৰে কি কৰিলে?”[1] আবু উমাইৰ হৈছে এটা সৰু শিশুৰ উপনাম। তাৰ লগত এটা (নুগাইৰ) আছিল, অৰ্থাৎ ঘৰচিৰিকাৰ দৰে এটা সৰু চৰাই। সেই চৰাইটো হঠাৎ মৰি যোৱাত শিশুটি দুঃখিত আৰু মৰ্মাহত হৈ পৰিছিল। সেয়েহে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাৰ সৈতে নম্ৰ ব্যৱহাৰ কৰি কৈছিল: “হে আবু উমাইৰ! নুগাইৰে কি কৰিলে?”

এজন বেদুঈনে আহি মছজিদত প্ৰস্ৰাৱ কৰিবলৈ ধৰিলে, তেতিয়া উপস্থিত লোকসকলে তাক ধমক দিবলৈ ধৰিলে আৰু কঠোৰভাৱে বাধা প্ৰদান কৰিলে। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক নিষেধ কৰিলে। যেতিয়া সেই বেদুঈনজনৰ প্ৰস্ৰাৱ কৰা শেষ হ'ল, তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এক বাল্টি আনিবলৈ নিৰ্দেশ দিলে আৰু সেই পানী প্ৰস্ৰাৱৰ ওপৰত ঢালি দিয়া হ'ল। ইয়াৰ পিছত তেখেতে বেদুঈনজনক মাতি নি ক'লে:

«إِنَّ هَذِهِ المَسَاجِدَ لَا يَصْلُحُ فِيهَا شَيْءٌ مِنَ الأَذَى أَوِ القَذَرِ، إِنَّمَا هِيَ لِلصَّلَاةِ وَقِرَاءَةِ القُرْآنِ» [21].

“নিশ্চয় এই মছজিদসমূহ কোনো ধৰণৰ লেতেৰা বা বেয়া বস্তুৰ বাবে উপযুক্ত নহয়। ইয়াত কেৱল নামাজ

[1] (বুখাৰীঃ কিতাবুল আদব, অনুচ্ছেদঃ মানুহৰ সৈতে প্ৰফুল্ল চিত্তে ব্যৱহাৰ কৰা, হাদীছ নং (৬১২৯), আৰু মুছলিমঃ কিতাবুল আদাব, অনুচ্ছেদঃ জন্মৰ সময়ত নৱজাতকক তাহনীক কৰা মুস্তাহাব, (২১৫০), হাদীছটো আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত)

পঢ়া হয় আৰু কোৰআন তিলাৱত কৰা হয়।”[1] অথবা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যিদৰে কৈছিল।

এই ঘটনাত উত্তম চৰিত্ৰৰ দিশটো সুস্পষ্ট, কাৰণ তেখেতে এই বেদুঈনজনক ভৰ্ৎসনা কৰা নাছিল, আৰু তাক প্ৰহাৰ কৰাৰো নিৰ্দেশ দিয়া নাছিল। বৰং সি প্ৰস্ৰাৱ কৰি শেষ নকৰালৈকে তেখেতে তাক এৰি দিছিল। তাৰ পিছত তেখেতে তাক বুজাই দিছিল যে, সি যিটো কাম কৰিছে তাৰ বাবে মছজিদ উপযুক্ত নহয়, বৰং মছজিদ হৈছে কেৱল চালাত, জিকিৰ আৰু কোৰআন তিলাৱতৰ বাবেহে।

ৰমাজান মাহত এজন ব্যক্তিয়ে তেখেতৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! মই ধ্বংস হৈ গ'লোঁ!! তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ

«وَمَا أَهْلَكَكَ؟»، قَالَ الرَّجُلُ: وَقَعْتُ عَلَى امْرَأَتِي فِي رَمَضَانَ وَأَنَا صَائِمٌ، فَلَمْ يُوَبِّخْهُ، وَلَمْ يَنْهَرْهُ، بَلْ قَالَ لَهُ: «فَهَلْ تَجِدُ مَا تُعْتِقُ رَقَبَةً؟» قَالَ: لَا. قَالَ: «فَهَلْ تَسْتَطِيعُ أَنْ تَصُومَ شَهْرَيْنِ مُتَتَابِعَيْنِ؟» قَالَ: لَا. قَالَ: «فَهَلْ تَجِدُ مَا تُطْعِمُ سِتِّينَ مِسْكِينًا؟» قَالَ: لَا. ثُمَّ جَلَسَ، فَأُتِيَ النَّبِيُّ ﷺ بِعَرَقٍ فِيهِ تَمْرٌ، فَأَعْطَاهُ إِيَّاهُ وَقَالَ لَهُ: «تَصَدَّقْ بِهَذَا»، فَقَالَ الرَّجُلُ: أَعَلَى أَفْقَرَ مِنَّا؟! فَمَا بَيْنَ لَابَتَيْهَا أَحْوَجُ إِلَيْهِ مِنَّا، فَضَحِكَ النَّبِيُّ ﷺ حَتَّى بَدَتْ أَنْيَابُهُ، ثُمَّ قَالَ: «اذْهَبْ فَأَطْعِمْهُ أَهْلَكَ» [22].

“তোমাক কিহে ধ্বংস কৰিলে?” মানুহজনে ক'লেঃ মই ৰমাজান মাহত ৰোজা অৱস্থাত মোৰ স্ত্ৰীৰ সৈতে সহবাস

[1] বুখাৰীঃ ‘কিতাবুল ওজু’ (ওজু অধ্যায়), অনুচ্ছেদ: প্ৰস্ৰাৱৰ ওপৰত পানী ঢালিব লাগে, হাদীছ নম্বৰ (২২১), আৰু মুছলিমঃ ‘কিতাবুত তাহাৰাহ’ (পবিত্ৰতা অধ্যায়), অনুচ্ছেদ: প্ৰস্ৰাৱ ধৌত কৰা ওৱাজিব (বাধ্যতামূলক), নম্বৰ (২৮৫), আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

কৰিছোঁ। তেখেতে তাক তিৰস্কাৰো নকৰিলে আৰু ধমকো নিদিলে, বৰং তাক ক'লেঃ "এজন দাস মুক্ত কৰিবলৈ তোমাৰ সামৰ্থ্য আছেনে?" সি ক'লেঃ নাই। তেখেতে ক'লেঃ "তুমি একেৰাহে দুমাহ ৰোজা ৰাখিব পাৰিবানে?" সি ক'লেঃ নহয়। তেখেতে ক'লেঃ "তুমি ষাঠীজন দৰিদ্ৰ লোকক আহাৰ কৰাব পাৰিবানে?" সি ক'লেঃ সেই সামৰ্থ নাই। তাৰ পিছত সি বহি পৰিল। এনেতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ খেজুৰৰ এটা পাচি অনা হ'ল। তেখেতে সেইটো তাক দি ক'লেঃ "এইখিনি চাদাক্বাহ কৰি দিয়াগৈ।" তেতিয়া মানুহজনে ক'লেঃ আমাতকৈয়ো বেছি দৰিদ্ৰ কাৰোবাক দিব লাগিব নেকি?! কাৰণ দুয়োখন প্ৰান্তৰৰ মাজত আমাতকৈ অধিক অভাৱগ্ৰস্ত আন কোনো নাই। এই কথা শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এনেদৰে হাঁহিলে যে, তেখেতৰ ছেদক দাঁতসমূহ দেখা গ'ল। তাৰ পিছত তেখেতে ক'লেঃ "যোৱা, এইখিনি তোমাৰ পৰিয়ালক আহাৰ কৰোৱাগৈ।"[1]

এই ঘটনাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তম চৰিত্ৰ স্পষ্ট হৈছে, কিয়নো তেখেতে সেই মানুহজনক ধমক দিয়া নাছিল, গালি-গালাজ কৰাও নাছিল আৰু ভৰ্ৎসনাও কৰা নাছিল। এইটো নবী

---

[1] বুখাৰীঃ কিতাবুচ চাওম, অনুচ্ছেদঃ ৰমজানত সহবাস কৰিলে আৰু তাৰ ওচৰত একো নাথাকিলে, তেতিয়া তাক ছাদাক্বা কৰা হ'লে তাৰ দ্বাৰাই সি কাফ্ফাৰা আদায় কৰিব, নম্বৰ (১৯৩৬), আৰু মুছলিমঃ কিতাবুছ ছিয়াম, অনুচ্ছেদঃ ৰোজাদাৰৰ বাবে ৰমজান মাহৰ দিনৰ ভাগত সহবাস কৰা কঠোৰভাৱে হাৰাম, নম্বৰ (১১১১), আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

চাল্লাল্লাহু আলাইহি অছাল্লামৰ সহনশীলতা আৰু প্ৰজ্ঞাৰ অন্যতম উদাহৰণ। কিয়নো তেখেতে দেখিছিল যে, এই মানুহজন অনুতপ্ত, তাওবাকাৰী আৰু ভীত-সন্ত্ৰস্ত হৈ আহিছে। সেয়েহে তেখেতে বিবেচনা কৰিলে যে, মানুহজন ভৰ্ৎসনাৰ যোগ্য নহয়, বৰং তাৰ ওচৰত সত্য স্পষ্ট কৰি দিয়া উচিত আৰু তাৰ সৈতে নম্ৰ ব্যৱহাৰ কৰা উচিত।

মাছআলা: বহুতো মানুহে কয় যে, পাশ্চাত্যৰ লোকসকল হৈছে লেনদেন আৰু কিনা বেচাৰ ক্ষেত্ৰত অধিক উত্তম চৰিত্ৰৰ অধিকাৰী। আনহাতে আমি মুছলিমসকলৰ মাজত প্ৰতাৰণা, মিছা কথা আৰু মিছা শপত খাই সামগ্ৰী বিক্ৰী কৰা কাৰ্য দেখিবলৈ পাওঁ। ইয়াৰ কাৰণ কি? আৰু তেওঁলোকৰ চৰিত্ৰ গঠনত তেওঁলোকৰ ঔদ্যোগিক সভ্যতাৰ কোনো বিশেষ প্ৰভাৱ আছে নেকি?

উত্তৰঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَوْ يُعْطَى النَّاسُ بِدَعْوَاهُمْ، لَادَّعَى رِجَالٌ دِمَاءَ قَوْمٍ وَأَمْوَالَهُمْ، وَلَكِنَّ الْبَيِّنَةَ عَلَى الْمُدَّعِي» [23]،

“যদি মানুহৰ দাবীৰ ওপৰত ভিত্তি কৰি সিহঁতক প্ৰদান কৰা হ'লহেঁতেন, তেন্তে মানুহে আনৰ প্ৰাণ আৰু ধন-সম্পদ দাবী কৰি বহিলহেঁতেন। কিন্তু দাবী কৰা ব্যক্তিয়ে প্ৰমাণ দিব লাগিব।”[1] আৰু মানুহৰ মাজত যিটো কথা প্ৰসিদ্ধ যে, আদান-প্ৰদান আৰু আচৰণৰ ক্ষেত্ৰত

[1] দ্ৰষ্টব্যঃ আল-হায়ৱান লিল-জাহিজ (৩/২২৬), উয়ুনুল আখবাৰ (৩/১৬), আল-ইকদুল ফৰীদ (২/১৯৪)।

পাশ্চাত্যৰ লোকসকল হৈছে সজ চৰিত্ৰৰ অধিকাৰী, প্ৰকৃততে এইটো সঁচা নহয়। কিয়নো সিহঁতৰ বেয়া আচৰণৰ বিষয়ে সেই ব্যক্তিয়েহে জানিব পাৰে, যিজনে সিহঁতৰ ওচৰলৈ গৈছে, তথা সিহঁতক ন্যায় আৰু নিৰপেক্ষতাৰ দৃষ্টিৰে চাইছে; সেইজনে কেতিয়াও নাজানে, যিজনে সিহঁতক কেৱল সন্মান আৰু মহিমাৰ দৃষ্টিৰে চাইছে। সেয়েহে কবিয়ে কৈছে: "সন্তুষ্টিৰ চকু হৈছে সকলো দোষৰ প্ৰতি অন্ধ *** যিদৰে অসন্তুষ্টিৰ চকুৱে দোষবোৰ প্ৰকাশ কৰে।"[1]

পাশ্চাত্যলৈ যোৱা বহুতো যুৱকে মোক সিহঁতৰ আটাইতকৈ নিকৃষ্ট চৰিত্ৰৰ কৰ্মসমূহৰ বিষয়ে কৈছে। কিন্তু সিহঁতে কিনা বেচাৰ ক্ষেত্ৰত যি পৰামৰ্শ দিয়ে, সেইটোৱে এইটো প্ৰমাণ নকৰে যে, সিহঁত হৈছে উত্তম চৰিত্ৰৰ অধিকাৰী, বৰং এইটো হৈছে এই কাৰণে যে, সিহঁত হৈছে বস্তুগত স্বাৰ্থৰ দাস। (সেয়ে সিহঁতৰ কৌশল হৈছে যে,) এইবোৰ বিষয়ৰ লেনদেনৰ ক্ষেত্ৰত সিহঁতে যিমানেই বেছি সদুপদেশ প্ৰদান কৰিব, মানুহে সিহঁতৰ প্ৰতি সিমানেই বেছি আকৰ্ষিত হ'ব, আৰু সিহঁতৰ সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু ইয়াৰ প্ৰচাৰ কৰিবলৈ সিমানেই খৰতকীয়া হ'ব।

---

[1] বুখাৰীয়ে বৰ্ণনা কৰিছে: অধ্যায়: তাফছীৰুল কোৰআন, অনুচ্ছেদ: {নিশ্চয় যিসকলে আল্লাহৰ লগত কৰা প্ৰতিশ্ৰুতি আৰু নিজৰ শপত তুচ্ছ মুল্যৰ বিনিময়ত বিক্ৰী কৰে, আখিৰাতত সিহঁতৰ কোনো অংশ নাই...} [আলে ইমৰাণ: ৭৭], নম্বৰ (৪৫৫২), আৰু মুছলিম: অধ্যায়: আল-আক্বজিয়াহ, অনুচ্ছেদ: বিবাদীৰ ওপৰত শপত, নম্বৰ (১৭১১), ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত।

সিহঁতে এনেকুৱা ব্যৱহাৰ কৰাৰ অৰ্থ এইটো নহয় যে, সিহঁত হৈছে সজ চৰিত্ৰৰ অধিকাৰী; বৰং ইয়াৰ মূল কাৰণ হৈছে, সিহঁত হৈছে বস্তুবাদী। সিহঁতে নিজৰ সম্পদ বৃদ্ধি কৰাৰ উদ্দেশ্যে সদাচৰণক অন্যতম প্ৰধান প্ৰচাৰৰ মাধ্যম হিচাপে গণ্য কৰে, যাতে এই বিষয়বোৰ গ্ৰহণযোগ্য হয়। অন্যথা সিহঁতৰ বৈশিষ্ট্য সেইটোৱেই যিটো সৰ্বশক্তিমান আল্লাহে পৱিত্ৰ কোৰআনত সিহঁতৰ বিষয়ে বৰ্ণনা কৰিছে:

﴿إِنَّ ٱلَّذِينَ كَفَرُواْ مِنۡ أَهۡلِ ٱلۡكِتَٰبِ وَٱلۡمُشۡرِكِينَ فِي نَارِ جَهَنَّمَ خَٰلِدِينَ فِيهَآۚ أُوْلَٰٓئِكَ هُمۡ شَرُّ ٱلۡبَرِيَّةِ6﴾

"নিশ্চয় আহলে কিতাবসকলৰ মাজৰ যিসকলে কুফৰী কৰিছে, সিহঁতে আৰু মুশ্বৰিকসকলে জাহান্নামৰ জুইত স্থায়ীভাৱে অৱস্থান কৰিব; ইহঁতেই হৈছে নিকৃষ্ট সৃষ্টি।" [ছুৰা আল-বায়্যিনাহঃ ৬] আৰু মই নাভাবোঁ যে, সৰ্বশক্তিমান আল্লাহে কাফিৰসকলৰ বিষয়ে যি বৰ্ণনা প্ৰদান কৰিছে তাতকৈ অধিক সত্য বৰ্ণনা আন কাৰোবাৰ হ'ব পাৰে; কাৰণ সিহঁত হৈছে নিকৃষ্ট সৃষ্টি। আল্লাহে যি সম্প্ৰদায়ৰ বিষয়ে বৰ্ণনা কৰিছে যে, সিহঁত হৈছে নিকৃষ্ট সৃষ্টি, সিহঁতৰ পৰা কেনেকৈ প্ৰকৃত কল্যাণৰ আশা কৰিব পাৰি? মই বিশ্বাস নকৰোঁ যে, এইটো কেতিয়াবা সম্ভৱ হ'ব পাৰে। কিন্তু এই লেনদেনবোৰৰ ক্ষেত্ৰত সিহঁতৰ মাজত যি সততা, স্পষ্টতা আৰু হিতাকাংক্ষী ভাৱ দেখিবলৈ পোৱা যায়, দৰাচলতে ইয়াৰ আঁৰত সিহঁতৰ বেলেগ উদ্দেশ্যহে নিহিত থাকে, আৰু সেইটো হৈছে খ্যাতি আৰু পাৰ্থিৱ স্বাৰ্থ অৰ্জন কৰা।

অন্যথা, যি ব্যক্তিয়ে বিভিন্ন ক্ষেত্ৰত সৃষ্টিজীৱৰ ওপৰত কৰা সিহঁতৰ অন্যায়, উৎপীড়ন আৰু ঔদ্ধত্য প্ৰত্যক্ষ কৰিছে, তেওঁহে মহান আল্লাহৰ বাণীৰ সত্যতা উপলব্ধি কৰিব পাৰিবঃ

﴿...أُوْلَٰٓئِكَ هُمۡ شَرُّ ٱلۡبَرِيَّةِ﴾.

"ইহঁতেই হৈছে নিকৃষ্ট সৃষ্টি।"

আনহাতে যিসকল মুছলিমে লেনদেনৰ ক্ষেত্ৰত প্ৰৱঞ্চনা কৰে, মিছা কথা কয় আৰু বিশ্বাসঘাতকতা কৰে, নিশ্চয় সেইসকল মুছলিমৰ ইছলাম আৰু ঈমান সিমানেই দুৰ্বল, যি পৰিমাণে সিহঁতে এই বিষয়বোৰত শ্বৰীয়তৰ বিৰোধিতা কৰে।

এতেকে কিছুসংখ্যক মুছলিমৰ চৰীয়ত বিৰোধী কৰ্ম আৰু এনেকুৱা বিষয়বোৰত সিহঁতে কৰা চৰীয়তৰ সীমালঙঘনে চৰীয়তৰ কোনো অসম্পূৰ্ণতা বা ত্ৰুটি নুবুজায়। কিয়নো চৰীয়ত হৈছে পূৰ্ণাঙ্গ। আৰু যিসকলে এনেকুৱা ক্ষতি সাধন কৰিছে, সিহঁতে প্ৰথমে নিজৰেই ক্ষতি কৰিছে, তাৰ পিছতহে ইছলামী চৰীয়তৰ, তাৰ পিছত সিহঁতৰ মুছলিম ভাতৃসকলৰ, তাৰ পিছত সেই অমুছলিমসকলৰ ক্ষতি কৰিছে, যাৰ সৈতে সিহঁতে লেনদেন কৰে। দৰাচলতে সিহঁতে কেৱল নিজৰেই ক্ষতি সাধন কৰিছে। কোনো জ্ঞানী ব্যক্তিয়ে কেতিয়াও এজন ব্যক্তিৰ দুষ্কৰ্মক সেই চৰীয়তৰ ত্ৰুটি বুলি গণ্য নকৰে, যিটো চৰীয়তৰ সৈতে উক্ত ব্যক্তিজন জৰিত।

সেয়ে মই সকলো মুছলিমকে অনুৰোধ জনাওঁ যে, তেওঁলোকে যেন এই কাৰ্যবোৰৰ বিৰুদ্ধে এক শক্তিশালী

অভিযান চলায়, যিবোৰ কাৰ্যক ইছলামে সমৰ্থন নকৰে, যেনে- মিছা কথা কোৱা, বিশ্বাসঘাতকতা কৰা, প্ৰতাৰণা আৰু প্ৰবঞ্চনা কৰা, লগতে এই ধৰণৰ অন্যান্য কাৰ্যসমূহ।

মাছআলাঃ এনেকুৱা এজন ব্যক্তি যাৰ দ্বীন অসম্পূৰ্ণ কিন্তু তেওঁ উত্তম চৰিত্ৰৰ অধিকাৰী, আনহাতে আন এজন ব্যক্তি যিয়ে চৰীয়ত পালনৰ ক্ষেত্ৰত প্ৰায় পৰিপূৰ্ণ কিন্তু তেওঁ অসৎ চৰিত্ৰৰ অধিকাৰী? এই দুজনৰ মাজত কোনজন ব্যক্তি অধিক উত্তম? লগতে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ এই বাণীৰ সৈতে ইয়াৰ কি সম্পৰ্ক আছেঃ

«ذَهَبَ حُسْنُ الْخُلُقِ بِخَيْرِ الدُّنْيَا وَالْآخِرَةِ» [25]،

“উত্তম চৰিত্ৰই (মানুহক) পৃথিৱী আৰু আখিৰাতৰ কল্যাণ লাভ কৰায়া”[1] আৰু উম্মে ছালামাক দিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ উত্তৰ।

উত্তৰঃ ইয়াত কোনো সন্দেহ নাই যে, পূৰ্ণাংগ চৰিত্ৰই হৈছে পূৰ্ণাংগ দ্বীনদাৰ হোৱাৰ পৰিচায়ক, যিদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বিশুদ্ধ হাদীছত বৰ্ণিত হৈছে যে, তেখেতে কৈছেঃ

«أَكْمَلُ الْمُؤْمِنِينَ إِيمَانًا أَحْسَنُهُمْ خُلُقًا» [26].

[1] আব্দ বিন হুমাইদে তেওঁৰ মুছনাদত বৰ্ণনা কৰিছে (১২১০), খাৰায়িতীয়ে 'মাকাৰিমুল আখলাক'ত উল্লেখ কৰিছে (৫০) আৰু তাবাৰানীয়ে 'মু'জামুল কাবীৰ'ত উল্লেখ কৰিছে (২৩/২২৩) আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণনা কৰিছে।

“মুমিনসকলৰ মাজত পূৰিপূৰ্ণ ঈমানৰ অধিকাৰী হৈছে সেইজন, যাৰ চৰিত্ৰ তেওঁলোকৰ মাজত সৰ্বোত্তম।”[1]

এতেকে, যিজন ব্যক্তিৰ চৰিত্ৰ অসম্পূৰ্ণ, তেওঁৰ দ্বীনো অসম্পূৰ্ণ; কিয়নো দ্বীনৰ পূৰ্ণাংগতা নিৰ্ভৰ কৰে চৰিত্ৰৰ পূৰ্ণাংগতাৰ ওপৰত। যিদৰে আমি উল্লেখ কৰিছোঁ যে, সৎ চৰিত্ৰ সদায় সৃষ্টিকৰ্তা আৰু সৃষ্টিৰ লগত কৰা আচাৰ-ব্যৱহাৰত প্ৰতিফলিত হয়, ইয়াৰ দ্বাৰা এইটো স্পষ্ট হয় যে, চৰিত্ৰৰ পূৰ্ণাংগতা দ্বীনৰ পূৰ্ণাংগতাৰ জৰিয়তেহে সম্ভৱ। সেই কাৰণেই, আনক ইছলাম আৰু দ্বীনৰ প্ৰতি আকৰ্ষিত কৰাৰ ক্ষেত্ৰত এজন পূৰ্ণাংগ চৰিত্ৰৱান ব্যক্তিৰ প্ৰভাৱ, এজন ধৰ্মপৰায়ণ কিন্তু অসৎ চৰিত্ৰৰ ব্যক্তিতকৈ অধিক। এতেকে, যদি ইবাদতৰ ক্ষেত্ৰত নিষ্ঠাৱান কোনো ব্যক্তিক সৎ চৰিত্ৰৱান হোৱাৰ তাওফীক প্ৰদান কৰা হয়, তেন্তে সেয়া অধিক পূৰ্ণাংগ। আনহাতে, যিজন ব্যক্তি নিজৰ ব্যক্তিগত ইবাদতত নিষ্ঠাৱান কিন্তু তেওঁৰ চৰিত্ৰ হৈছে অসৎ, তেনে ব্যক্তিৰ তুলনামূলক শ্ৰেষ্ঠত্ব নিৰ্ধাৰণ কৰাটো এনে এটা বিষয় যাক সঠিকভাৱে নিৰ্দিষ্ট কৰা অসম্ভৱ।

মহান আল্লাহৰ ওচৰত দুআ কৰোঁ, তেওঁ যেন আমাক তেওঁৰ মহাগ্ৰন্থ আৰু তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নাহক প্ৰকাশ্য-অপ্ৰকাশ্য সকলো ক্ষেত্ৰতে মজবুতভাৱে খামুচি ধৰা লোকসকলৰ

[1] আবু দাউদ: অধ্যায়ঃ কিতাবুছ্ছুন্নাহ, অনুচ্ছেদঃ ঈমান বৃদ্ধি আৰু হ্ৰাস হোৱাৰ প্ৰমাণ (হাদীছ নং ৪৬৮২), আৰু তিৰমিজী: কিতাবুৰ ৰাজা', অনুচ্ছেদঃ স্বামীৰ ওপৰত পত্নীৰ অধিকাৰ (নং ১১৬২), আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত।

অন্তৰ্ভুক্ত কৰে, আৰু এই অৱস্থাতেই যেন তেওঁ আমাক মৃত্যু দান কৰে। লগতে ইহকাল আৰু পৰকালত তেওঁ যেন আমাৰ অভিভাৱক হয়, আৰু আমাক হিদায়ত দিয়াৰ পিছত তেওঁ যেন আমাৰ অন্তৰসমূহক বক্র কৰি নিদিয়ে, আৰু তেওঁৰ তৰফৰ পৰা আমাক ৰহমত প্ৰদান কৰে। নিশ্চয় তেৱেঁই হৈছে মহান দাতা।

*

# সূচীপত্ৰ


সৎ চৰিত্ৰ ........ 2
সৎ চৰিত্ৰ ........ 2
আৰম্ভ কৰিছোঁ পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত ........ 2
উত্তম চৰিত্ৰৰ ক্ষেত্ৰসমূহ ........ 10
নবী চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে সৰ্বোত্তম আদৰ্শ ........ 40


as142v2.0 - 03/09/2026